সোণালী জয়ন্তী বৰ্ষত ভৰি দিয়া
শুঃ বুঃ মাঃ সঃ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ



# অসমীয়া

ত্ৰয়োদশ সংখ্যা
৮ম বছৰ, আগষ্ট-চেপ্তেম্বৰ, ২০১২

অসমীয়া বিভাগ
শুৱালকুছি বুদ্‌ৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়

সম্পাদক
ড° চিত্তৰঞ্জন দাস

# অসমীয়া

ত্ৰয়োদশ সংখ্যা

৮ম বছৰ, আগষ্ট-চেপ্তেম্বৰ, ২০১২

সম্পাদক : ড° চিত্তৰঞ্জন দাস
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ
শুঃ বুঃ মাঃ সঃ মহাবিদ্যালয়।

সহঃ সম্পাদক : অধ্যাপক শ্ৰীদিলীপ কুমাৰ শৰ্মা
অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ দাস
অধ্যাপিকা (ড°) মনালিছা বৰা
অধ্যাপক শ্ৰীঋতুপৰ্ণ দাস

সদস্য/সদস্যা : অসমীয়া প্ৰধান (**Major**) ৰ সমূহ ছাত্ৰ-ছাত্ৰী

মূল্য : ২০/- (বিশ) টকা

প্ৰকাশক : অসমীয়া বিভাগ
শুঃ বুঃ মাঃ সঃ মহাবিদ্যালয়

ডি.টি.পি. এণ্ড ছেটিং : প্ৰঞ্জীপ বেজবৰুৱা

মুদ্ৰণ : মিছিছিপি প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিচাৰ্ছ
দীঘলীপুখুৰীপাৰ (পূব)
গুৱাহাটী-৭৮১০০১


## এই সংখ্যাত আছে


অধ্যক্ষৰ আদৰণী ভাষণ : ড° দীপেশ চন্দ্ৰ ভাগৱতী/২

প্ৰবন্ধ :

শুৱালকুছিৰ বাসত্তৰীয়া ব্ৰাহ্মণ : শচীন শৰ্মা/৪

বেদান্ত দৰ্শনত জ্ঞান তত্ত্ব : প্ৰদীপ নাৰায়ণ ভট্ট/৭

গল্প :

অচিন বাটৰ সুৰ : গীতিমা কলিতা/২০

কবিতা :

অনুভৱ তুলসী/১/ৰিমঝিম মৰল, কণা মাকৰী/৯/ আব্দুল গফাৰ, বিউটি ভট্টাচাৰ্য/১০/ অতুল কুমাৰ শৰ্মা, ৰূপক বৈশ্য/১১/জিন্টু দাস, ড° দীপেন্দ্ৰ কুমাৰ শৰ্মা, ৰাকেশ কলিতা/১২/অতুল চন্দ্ৰ দাস, প্ৰাঞ্জল শৰ্মা/১৩/ সত্য দাস, ভূৱন দাস, অৰূপ শৰ্মা, সঞ্জীৱ শৰ্মা/১৪/ গীতাঞ্জলি দাস, ৰমেন কলিতা, ঋতুপৰ্ণ দাস/১৫/ ধীৰাজ ৰাজ, বিদ্যুৎ বৈশ্য, বনশ্ৰী দাস/১৬/ সমুদ্ৰ কুমাৰ দাস, চুৰামন ৰাজবংশী, সঞ্জীৱ শৰ্মা/১৭/ড° চিত্তৰঞ্জন দাস, অপূৰ্ব ঠাকুৰীয়া, প্ৰদীপ বৰুৱা/১৮/ হিমাংশু অনুপম, কবিতা ভাগৱতী, জ্যোতিৰ্ময়ী ডেকা/১৯/ অনামিকা বৰা, হৰিচৰণ দলৈ, গকুল কলিতা/২৪/ কুশলজিৎ দেউৰী, ড° দুৰ্গেশ্বৰ শৰ্মা।


'অসমীয়া' এখন অব্যৱসায়িক ষাণ্মাষিক আলোচনী। আলোচনীখন শুৱালকুছি বুদ্‌ৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰা প্ৰতিবছৰৰ জুলাই-আগষ্ট আৰু জানুৱাৰী মাহত প্ৰকাশ পাব। শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু নবীন লেখক-লেখিকাৰ পৰা বিভিন্ন বিষয়ৰ নাতিদীৰ্ঘ লেখা আহ্বান কৰা হ'ল।


**লেখনি আৰু চিঠি পত্ৰ পঠোৱাৰ ঠিকনা :** মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ
শুৱালকুছি বুদ্‌ৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়

## সম্পাদকীয়

সাহিত্যৰ সৌন্দৰ্য আৰু সমৃদ্ধি নিৰ্ভৰ কৰে সমাজৰ সুকুমাৰ স্থিতি আৰু বিস্তৃতিৰ ওপৰত। সাহিত্যৰ আধাৰ অথবা পটভূমিও সমাজ অথবা সমাজ জীৱন। মানুহ, মানুহৰ জীৱনৰ সুখ-দুখ আশা আৰু আক্ষেপ, অভিমান অভিযোগে সাহিত্যৰ মাজত সুকুমাৰ শিল্পৰ ৰূপত আত্ম প্ৰকাশ কৰে। জীৱনৰ মহত্বৰ সাধনাৰ কাৰণে শিল্পৰ যি প্ৰেৰণা অথবা অৰিহণা সি তেনেকৈয়ে আহে। গৰু খোজত আকাশে আহি দেখা দিয়াৰ দৰে সময়ে সময়ে সৰু সৰু ঘটনায়ো মহত্বৰ সাধনাৰ সহায়ক, বাৰ্ত্তা বাহক হৈ পৰে। আমি আশা কৰো আমাৰ 'অসমীয়া'ৰ পৃষ্ঠাটো তেনেকুৱা মহৎ আৰু অমৰ প্ৰতিভাৰ উন্মেষ হ'ব। অসমীয়াই আজি অষ্টম বছৰত ভৰি দিলে। সেয়াই আমাৰ বাবে আশা আৰু আনন্দৰ বিষয়। প্ৰথম সংখ্যাৰে পৰাই ন লেখক-লেখিকাৰ লেখা প্ৰকাশৰ ক্ষেত্ৰত আমি প্ৰাধান্য দি আহিছো। ছাত্ৰ-ছাত্ৰী যাতে সাহিত্যৰ প্ৰতি, সাহিত্য চৰ্চাৰ প্ৰতি মনোযোগী হয়, তাৰ প্ৰতি মনোযোগ দিছো। এটা পৰিৱেশ সৃষ্টি হওঁক বুলিয়ে মহাবিদ্যালয়ৰ পৰিয়ালৰ সদস্য লেখকৰ বাহিৰেও অন্যৰ লেখা সাদৰেৰে আৰু সম্ভ্ৰমেৰে প্ৰকাশ কৰি আহিছো। এখন সমৃদ্ধ আলোচনী প্ৰকাশ কৰাৰ ইচ্ছা আৰু চেষ্টা কৰিছো, যাতে জাতিৰ সমৃদ্ধিত ই সামান্য হ'লেও অৰিহণা যোগাব পাৰে। কেকেটুৱাৰ বাঁহপাতেই সাৰ।

সহৃদয় লেখক লেখিকা, পাঠক পাঠিকালৈ আমাৰ শ্ৰদ্ধা আৰু প্ৰণাম জনাইছোঁ।

এই সংখ্যা 'অসমীয়া'ত মহাবিদ্যালয়ৰ অগ্ৰগতিৰ আভাস দিবলৈ আমি মহাবিদ্যালয়ৰ অধ্যক্ষ মহাশয়ৰ ভাষণখনি প্ৰকাশ কৰিছো। প্ৰকাশৰ অনুমতি দিয়াৰ কাৰণে মাননীয় অধ্যক্ষ মহাশয়ক আমি কৃতজ্ঞতা জনাইছোঁ।

ড° চিত্তৰঞ্জন দাস

M.S. College * S.B. LIBRARY



### শীতৰ শেষ সভা

অনুভৱ তুলসী

এটা বাট ওপৰলৈ উঠি যোৱা
ঢাপৰ জাৰমালতী জঁই পৰা
জোনটোও আধা মৰা।
এছাটি বতাহে সুধিছে সোণাৰুক-
'ডালে ডালে সোণালী সাপ
কেতিয়াকৈ বগাব, ডেকা আপ'

তেনেতে উইচিৰিঙাৰ ৰিং-
কোন ক'ত আছ আহ অ' আহ
শীতৰ শেষ সভালৈ আহ

সেই সভাত নহ'বৰ কিনো হ'ব

কুঁৱলী ওৰণী জুনুককৈ যাব আঁতৰি
ঠুনুকা কইনা উৰহীৰ। ■

# শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয় সোণালী জয়ন্তী মহোৎসৱৰ উদ্বোধনী অনুষ্ঠান

## অধ্যক্ষৰ আদৰণী ভাষণ

সমবেত ৰাইজ,

শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয় নামৰ এই জ্ঞানমন্দিৰৰ চোতালত আজি আপোনালোকৰ উপস্থিতিয়ে আমাক যি ধৰণে অভিভূত কৰি তুলিছে, তাক প্ৰকাশ কৰিব পৰা কোনো শব্দই আজি যেন উপযুক্ত নহয়। ভাৱ প্ৰকাশৰ বাবে শব্দৰ সীমাবদ্ধতাক স্বীকাৰ কৰিও এই পবিত্ৰ জ্ঞানতীৰ্থই ৫০ বছৰত খোজ থব ওলোৱাৰ এই মাহেন্দ্ৰক্ষণত আপোনাসৱৰ উপস্থিতিয়ে আমাক ধন্য কৰিছে।

সমবেত ৰাইজ,

ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীঈশ্বৰ হাটী সত্ৰৰ সত্ৰাধিকাৰ পৰম শ্ৰদ্ধাস্পদ বুদৰাম আৰু মাধৱ অধিকাৰদেৱৰ ৪২ বিঘা বিশাল পৰিমাণৰ ভূমি দান আৰু যিসকল দূৰদ্ৰষ্টা আৰু তেখেতসকলৰ অনুগামী বৃন্দৰ ত্যাগ আৰু শ্ৰমৰ ফচল এই বিদ্যামন্দিৰ, পোনতে তেখেতসকল ইহলোক বা পৰলোক য'তেই নাথাকক কিয়, এই মহাবিদ্যালয়ৰ সকলোটিৰ হৈ মই মোৰ শ্ৰদ্ধা ভৰা প্ৰণামেৰে ভক্তি অঞ্জলি যাচিলো। সেইসকল মহাত্মাৰ সপোনৰ ভেটিত গঢ় লৈ উঠা এই শিক্ষানুষ্ঠানৰ অতীত সঁচাকৈয়ে গৌৰবোজ্বল, এই বৃহত্তৰ অঞ্চলটিত ষাঠিৰ দশকতে এই মহাবিদ্যালয়ৰ জন্ম নোহোৱাহেঁতেন কলেজীয়া শিক্ষা যে বহুজনৰ বাবে মাথো সপোনহে হৈ থাকিলহেঁতেন, তাক নক'লেও হ'ব। শুৱালকুছি আৰু ইয়াৰ দাঁতিকাষৰীয়া গাঁওসমূহৰ আৰ্থ সামাজিক বিকাশত বিগত দিনত এ ই অনুষ্ঠানে মচিব নোৱাৰা প্ৰভাৱ যে পেলাই থৈ আহিছে, সি ধ্ৰুৱপ।

ষাঠিৰ দশকৰ আৰম্ভণিছোৱাত নামনি অসমৰ উচ্চ শিক্ষাৰ বিকাশ স্বাভাৱিকতে নগৰ কেন্দ্ৰিক আছিল। কিন্তু হাড়ে হিমজুৱে গাঁৱলীয়া পৰিবেশৰ শুৱালকুছিত কলেজ স্থাপনৰ প্ৰয়াস সমকালীন প্ৰেক্ষাপটতমাথো ব্যতিক্ৰমধৰ্মীয়েই নাছিল, সি আছিল এহাতে প্ৰত্যাহবানমূলক আনহাতে প্ৰগতিবাদী। এনে প্ৰয়াসতে উদ্বুদ্ধ হৈ মুষ্টিভিক্ষাৰ আদৰ্শৰে বিন্দুত সিন্ধু ৰচি যি জ্ঞান পুস্পৰ পাহি মেল খালে তাৰ সুবাস শুৱালকুছিতে আবদ্ধ হৈ নাথাকিল। চৌপাশৰ গাঁও-ভূইৰ ডেকা-গাভৰু শুৱালকুছিমুৱা হ'ল। বৃহত্তৰ অঞ্চলটিৰ শুৱালকুছি হৈ পৰি পীঠস্থান স্বৰূপ।

সেই যে এটি সোঁত বহ্‌মান হ'ল, নিৰবিচ্ছিন্ন ভাবেই আজিকোপতি সি অব্যাহত থাকিল, ঠিক বৰলুইতৰ দৰে। কিন্তু ইয়াৰ এই আকৰ্ষণীয়তা সদায় অক্ষত থাকিবনে? তাক নদি ক'ব পাৰিবলৈ হ'লে ইয়াক সমাজ আৰু শিক্ষৰ্থীৰ চাহিদা পূৰণ কৰিব পৰাকৈ সময়ে সময়ে নকৈ গঢ় দি লব লাগিব। পৃথিৱীৰ যিবোৰ শিক্ষানুষ্ঠানে অবিৰত ভাবে নিজৰ জনপ্ৰিয়তাক বৰ্ত্তাই ৰাখিব পাৰিছে, সেই সকলোবোৰে সমাজ আৰু ব্যক্তিৰ প্ৰয়োজনীয়তাৰ সঠিক পূৰ্বানুমান কৰি তদানুসাৰে ন ন পাঠ্য সূচীৰ ব্যৱস্থা কৰি আহিছে।

হে সুধী সমাজ, শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ে বিগত ৫০ বছৰত নতুনত্ব সংযোজনৰ ধাৰা অব্যাহত ৰাখিছে; কলা, বিজ্ঞান আৰু বৃত্তিমুখী পাঠ্যক্ৰমেৰে সমৃদ্ধ এই জ্ঞান তীৰ্থই পৰিবৰ্ত্তনৰ লগত নিজকে খাপ খুৱাই লোৱাৰ প্ৰয়াস অব্যাহত

ৰাখিছে। অকল ইমানেই নহয় নিয়মীয়া ছাত্র হিচাপে নাম ভৰ্ত্তিৰ সুবিধা কৰিব নোৱাৰাসকলৰ বাবেও দূৰ আৰু মুক্ত শিক্ষাৰ জৰিয়তে গণদেৱতাৰ সেৱাত ই আত্মোৎসৰ্গ কৰিছে। কিন্তু সুদীৰ্ঘ ৫০ বছৰীয়া ইতিহাসেৰে সমৃদ্ধ ইয়াৰ বিজ্ঞান শাখাই প্ৰাদেশিকীকৰণৰ সুবিধা লাভ নকৰাটো মহাবিদ্যালয়খনৰ প্ৰগতিৰ প্ৰধান অন্তৰায় হৈ উঠিছে।

মহাবিদ্যালয়ৰ ইতিহাস গাই আপোনাসৱক বিৰক্ত কৰা আমাৰ লক্ষ্য নহয়। আজিৰ এই পবিত্ৰক্ষণত আপোনাসৱে ইয়াৰ সৈতে একাত্মভাৱে জড়িত হোৱাৰ সুযোগতে ইয়াৰ সমস্যা আৰু সম্ভাৱনীয়তাৰ বিষয়ে আপোনাসৱে অৱগত নোহোৱাকৈ থকাটো জানো উচিত হ'ব। বিগত বছৰবোৰৰ অভিলেখ ভংগ কৰি সম্প্ৰতি ১১ শতকৈও অধিক ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ শিক্ষা গ্ৰহণ কৰি আছে। ৬০ গৰাকী শিক্ষক-কৰ্মচাৰীয়ে তেওঁলোকক সেৱা আগবঢ়াই আছে। দীৰ্ঘকালীন ভালেমান মৌলিক সা-সুবিধা যুদ্ধকালীন তৎপৰতাৰে গঢ়ি দিয়াৰ বাবেও আমি চেষ্টাৰ ত্ৰুটি কৰা নাই। ইতিমধ্যে অসম চৰকাৰৰ বৰ্ত্তমানৰ মাননীয় শিক্ষামন্ত্ৰী গৰাকীৰ তৎপৰতাই অসমৰ উচ্চ শিক্ষাত যি এক গতিশীলতা প্ৰদান কৰাৰ আঁচনি গ্ৰহণ কৰিছে, তেনেবোৰ সা-সুবিধাই আমাকো উপকৃত কৰিব বুলি আমি আশাবাদী। কিন্তু এনে কোনো প্ৰয়াসক লৈ আমি ক্ষান্ত থাকিব পৰা সময় আমাৰ পৰা যেন বহু দূৰত। এই জ্ঞান তীৰ্থৰ উন্নয়নৰ বাবে আমি প্ৰত্যেকে হাতত হাত মিলাই আগবাঢ়ি যাবলৈ আমি একে মুঠে থিয় দিব নোৱাৰিমনে? সোণালী জয়ন্তী মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানৰ এই ৰভাতলীত আপোনাৰ মোৰ আমাৰ সকলোৰে আপোন এই মহাবিদ্যালয়ৰ ভবিষ্যত অধিক সোণালী কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হ'ব নোৱাৰেনে? এই অঞ্চলৰ ভবিষ্যত বংশধৰৰ স্বাৰ্থতে আহঁক আমি এক অবিৰত অনিৰুদ্ধ যাত্ৰাৰ পথিকৃত হওঁ, এই আশা কৰি কবি ৰ'বাৰ্ট ফ্ৰষ্টৰ কথাৰে এই ভাষণৰ সামৰণি মাৰিছো —

*The woods are lovely dark and deep*
*But I have promises to keep*
*And miles to go before I sleep*
*And miles to go before I sleep.*

S. B. M. S. College LIBRARY

ধন্যবাদেৰে—
ড° দীপেশ চন্দ্ৰ ভাগৱতী
অধ্যক্ষ
শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়

তাৰিখ ঃ ০১/০৮/২০১২

# শুৱালকুছিৰ বাসত্তৰীয়া ব্ৰাহ্মণ

শচীন শৰ্মা

শুৱালকুছিৰ বাসত্তৰীয়া ব্ৰাহ্মণসকল প্ৰাগজ্যোতিষ বা পুৰণি কামৰূপলৈ কেতিয়া আহিল সেই বিষয়ে কোৱাৰ আগতে বৰ্তমান ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চললৈ কেতিয়া আৰু কেনেকৈ জন প্ৰব্ৰজন আৰম্ভ হ'ল সেই বিষয়ে এটা সম্যক ধাৰণা লোৱা ভাল। এতিয়ালৈকে নৃ-তত্ববিদ সকলৰ মতে ভূমধ্য সাগৰৰ কাষৰীয়া অঞ্চলতহে প্ৰথম মানৱৰ অস্তিত্বৰ সন্ধান পোৱা হৈছে আৰু বিশিষ্ট পণ্ডিত ৰাহুল সাংকৃত্যায়নেও খৃষ্টপূৰ্ব ছহেজাৰ বছৰ পূৰ্বে ভল্গাৰ পাৰতেই প্ৰথম জন-গোষ্ঠীৰ সন্ধান পোৱাৰ কথা তেখেতৰ 'ভল্গাৰ পৰা গঙ্গালৈ' নামৰ পুথিত উল্লেখ কৰিছে। ইয়াৰ পৰাই পিচলৈ খাদ্য আৰু নিৰাপদ আশ্ৰয়ৰ সন্ধানত পৃথিৱীৰ বিভিন্ন অঞ্চললৈ এই মানৱৰ প্ৰব্ৰজন ঘটে। গতিকেই আজিকালি সততে শুনা কেইটামান শব্দ যেনে ভূমিপুত্ৰ, আদিবাসী, খিলিঞ্জীয়া আদি এই শব্দবোৰ আচলতে এই প্ৰব্ৰজনৰ সময় সাপেক্ষহে। অসমলৈও এই প্ৰব্ৰজন তেনেকৈয়ে ঘটিছিল আৰু আজিও ঘটি আছে। কেৱল কেনোবা আগতে আহিছিল আৰু কোনোবা পিছত আহিছে। সাৰ্বভৌমত্বৰ তত্বৰ ভিত্তিত দেশ গঠিত হোৱাৰ পাচতহে দেশী আৰু বিদেশীৰ সংজ্ঞা আহিল।

লিখিত বিৱৰণীৰ অভাৱত প্ৰাক-ঐতিহাসিক অসমৰ ইতিহাস একেবাৰে ধূসৰ। গতিকে আদি কাব্য ৰামায়ণ, মহাভাৰত আৰু পিচৰ যুগৰ কালিকা পুৰাণ, যোগিনী তন্ত্ৰ, পুৰাণ আদিত উল্লেখিত ঘটনা আৰু পৰম্পৰাগতভাৱে প্ৰচলিত প্ৰবাদ আদিৰ পৰাই সেই সময়ৰ অসমৰ কিছু কথা পোৱা যায়। আদিকাব্য ৰামায়ণ আৰ্যসকলৰ কৃত। The Cultural Heritage of India (Volume-I, pp.xlvi)ত উল্লেখ কৰা মতে খৃষ্টপূৰ্ব ১৫০০ মানত আৰ্যসকলে ভাৰতৰ উত্তৰ পশ্চিমেদি হিন্দুকুশ পাৰ হৈ ভাৰত আক্ৰমণ কৰে। সেই সময়ৰ সিন্ধু উপত্যকাৰ মহেঞ্জোদাৰো আৰু হৰপ্পা সভ্যতাই আৰ্যসকল অহাৰ আগতেও যে ভাৰতত এটা উচ্চ সভ্যতা বিৰাজ কৰিছিল তাৰে প্ৰমাণ দিয়ে। প্ৰত্নতত্ববিদসকলৰ মতে এই সভ্যতা খৃষ্টপূৰ্ব ২৫০০ ৰ পৰা খৃষ্টপূৰ্ব ১৫০০ লৈ বৰ্তি আছিল আৰু এই সময়ৰ ভিতৰতে এই লোকসকল সমস্ত উত্তৰ ভাৰততে বিৰাজ কৰিছিল।

ৰামায়ণত প্ৰাগজ্যোতিষৰ ৰজা নৰকৰ কথা উল্লেখ থকাৰ পৰা এটা কথা অনুমান কৰিব পাৰি যে খৃষ্টপূৰ্ব দ্বিতীয় সহস্ৰাব্দমানতে প্ৰাগজ্যোতিষলৈও পশ্চিমৰ পৰা ইন্দো-মঙ্গোলইদ ফৈদৰ মানুহৰ বিহাৰ, বঙ্গদেশৰ মাজেদি নিশ্চয় প্ৰব্ৰজন ঘটিছিল। বিদেহৰ জনক ৰজাৰ তেলনীয়া পুত্ৰ আৰু প্ৰাগজ্যোতিষৰ ৰজা নৰকৰ দৰেই ৰামায়ণত উল্লেখ থকা মধ্যদেশৰ আৰ্য ৰজা কুশৰ পুত্ৰ অমুৰ্ত্তৰাজে তেওঁৰ সঙ্গীসকলৰ সৈতে আহি প্ৰাগজ্যোতিষত ৰাজ্য স্থাপন কৰাৰ পৰা ৰামায়ণ আৰু মহাভাৰতৰ যুগৰ আগতেই যে অসমলৈও ইন্দো-মঙ্গোলইদ ফৈদৰ লোকসকলৰ প্ৰব্ৰজন ঘটিছিল তাকেই প্ৰমাণ কৰে।

এই ইন্দো-মঙ্গোলইদ ফৈদৰ লোকসকলৰ আগে-পিচেই সম্ভৱতঃ মঙ্গোলইদ, তিবেটো বৰ্মন আৰু অন্যান্য অষ্ট্ৰ-এচিয়াটিক ফৈদৰ লোকবো উত্তৰ আৰু দক্ষিণ-পূব ফালৰ পৰা প্ৰাগজ্যোতিষলৈ প্ৰব্ৰজন ঘটে। বিভিন্ন পণ্ডিতৰ মতে নৰক বংশৰ প্ৰথমজন নৰকে সেই সময়ৰ প্ৰাগজ্যোতিষৰ ৰজা ঘটক কিৰাটক যুদ্ধত বধ কৰিহে প্ৰাগজ্যোতিষৰ ৰাজপাট দখল কৰিব পাৰিছিল। মহাভাৰতত বৰ্ণিত কিৰাটসকলৰ বৰ্ণনাৰ পৰাএওঁলোক উক্ত ইন্দো-মঙ্গোলইদ ফৈদৰ বুলিয়ে প্ৰতীয়মান হয়।

নৰক বংশৰ শেষৰজন নৰকৰ পুত্ৰ ভগদত্ত মহাভাৰতৰ যুদ্ধত নিহত হয়। পুৰাতাত্বিক খনন কাৰ্য্যৰ পৰা পুৰাতত্ববিদসকলে হস্তিনাপুৰত জন-বসতিৰ সময় নিৰ্দ্ধাৰণ কৰিছে খৃষ্টপূৰ্ব ১১০০ ৰ পৰা খৃষ্টপূৰ্ব ৮০০ লৈ

(Ref, The Cultural Heritage of India (Volume-I, pp.xlvii)। গতিকে মহাভাৰতৰ যুদ্ধ আনুমানিক খৃষ্টপূৰ্ব দশম শতিকামান ধৰিব পাৰি। নৰক বংশৰ শেষৰজন নৰকক শ্ৰীকৃষ্ণই বধ কৰিছিল। তাৰ পাচত বজ্ৰদত্ত আৰু সোমদত্তই প্ৰাগজ্যোতিষত ৰাজত্ব কৰাৰ কথা পুৰণি পুথিত পোৱা যায়। মুঠৰ ওপৰত খৃষ্টপূৰ্ব দশম শতিকালৈ নৰক বংশই ৰাজত্ব কৰা বুলি অনুমান হয়।

বিভিন্ন সময়ত এই অঞ্চললৈ আহি ইয়াতেই বসবাস কৰিবলৈ লোৱা এই লোকসকলৰ সংমিশ্ৰণৰ ফলতেই বড়ো, কছাৰী, ৰাভা, ডিমাচা, মেচ, লালুং, মিচিং, কাৰ্বি, কুকি, নগা, মণিপুৰী, খাচী, জয়ন্তীয়া, কোচ, চুটিয়া, চিংফৌ, মিজো, দফলা, অকা, আবৰ, মিচিমি, খামতি আদি বিভিন্ন জাতি আৰু জন জাতিৰ সৃষ্টি হয়। এই সকলেই প্ৰাগজ্যোতিষ, পুৰণি কামৰূপ অথবা এই উত্তৰ-পূৰ্বাঞ্চলৰ আদি প্ৰব্ৰজনকাৰী বা আদিবাসী বুলি ক'ব পাৰি। সৰ ইয়াৰ পাচত নৰক বংশৰ সময়ৰ পৰাহে পশ্চিম দিশৰ পৰা কলিতা, কায়স্থ আদি অন্যান্য জনগোষ্ঠীৰ লোকৰ আগমন হয়।

খৃষ্টপূৰ্ব দশম শতাব্দীৰ পৰা অৰ্থাৎ নৰক বংশৰ পাচৰ পৰা ৩৫০ খৃষ্টাব্দলৈ অৰ্থাৎ বৰ্মন বংশৰ আৰম্ভণিলৈ প্ৰাগজ্যোতিষৰ ইতিহাস অন্ধকাৰাচ্ছন্ন। তাৰ অৰ্থ এইটো নহয় যে এই সময়চোৰাত প্ৰাগজ্যোতিষত কোনো ঘটনা সংঘটিত হোৱা নাছিল। এইসময় চোৰাতে সৰ স্থানীয় বিভিন্ন মুখিয়ালৰ অধীনত ৰাজ্যখন সৰু ভাগত ভাঙি পৰিছিল আৰু পশ্চিমৰ দিশৰ পৰা আৰ্য, বৌদ্ধ আৰু দক্ষিণ ভাৰতৰ বিভিন্ন জাতি-উপজাতিৰ লোকৰ প্ৰব্ৰজন ঘটিছিল আৰু সমস্ত ব্ৰহ্মপুত্ৰ উপত্যকা এই সকল লোকেৰে ভৰি পৰিছিল।

প্ৰায় ৩৫০ খৃষ্টাব্দৰ পৰা খৃষ্টীয় সপ্তম শতিকাৰ মাজভাগলৈ বৰ্মন বংশই প্ৰাগজ্যোতিষত ৰাজত্ব কৰে। সম্ভৱতঃ পুষ্য বৰ্মাই এই বংশৰ প্ৰথমজন ৰজা আছিল আৰু শেষৰজন আছিল কুমাৰ ভাস্কৰ বৰ্মন যাৰ মগধৰ ৰজা হৰ্ষবৰ্ধনৰ লগত বন্ধুত্ব গঢ়ি উঠিছিল। ভাস্কৰ বৰ্মন অপুত্ৰক আছিল বাবে তেওঁৰ লগতে বৰ্মন বংশৰো অন্ত পৰে। খৃষ্টীয় সপ্তম শতিকাৰ মাজভাগৰ পৰাহে কিছু লিখিত ইতিহাস উপলব্ধ হয়। কুমাৰ ভাস্কৰ বৰ্মনৰ ৰাজত্ব কালত খৃষ্টীয় সপ্তম শতিকাৰ মাজভাগত কামৰূপলৈ অহা চীনা পৰিব্ৰাজক হিউয়েনচাঙৰ লিখিত বিৱৰণীয়েই তেতিয়ালৈকে উপলব্ধ কামৰূপৰ একমাত্ৰ লিখিত ইতিহাস বুলি ক'ব পাৰি।

বৰ্মন বংশৰ পাচত শালস্তম্ভ নামৰ এজনে ৬৫৫ খৃষ্টাব্দত কামৰূপৰ ৰাজপাট দখল কৰে। এই বংশই খৃষ্টীয় দশম শতিকাৰ শেষভাগলৈ কামৰূপত ৰাজত্ব কৰে। এই বংশক বহুতে ম্লেচ্ছ বংশ বুলি কয় যদিও এই বংশৰ ৰজাসকলে নিজকে নৰক বংশীয় বুলিহে দাবী কৰে। এই ম্লেচ্ছ বংশই ৰাজত্ব কৰে খৃষ্টীয় সপ্তম শতিকাৰ মাজভাগৰ পৰা খৃষ্টীয় দশম শতিকালৈ।

ম্লেচ্ছ বংশৰ পাচত একাদশ শতিকাৰ আগভাগৰ পৰা পাল বংশৰ প্ৰথমজন ৰজা ব্ৰহ্মপালে প্ৰাগজ্যোতিষৰ ৰাজ্যভাৰ লয়। ইয়াৰ পাচত ধৰ্মপাল আৰু তাৰ পাচত ৰত্নপালে দ্বাদশ শতিকাৰ আগভাগলৈ (Inscriptions of Ancient Assam নামৰ পুথিখনত উল্লেখ কৰা মতে খৃষ্টীয় ১০১০ ৰ পৰা ১০৫০ লৈ ) ৰাজত্ব কৰে। ৰত্নপাল এজন পৰাক্ৰমী বীৰ আছিল। ব্যৱসায় বাণিজ্যৰ উন্নয়নৰ লগতে হিন্দু ধৰ্মৰ প্ৰসাৰৰ বাবে তেওঁ বহুতো মন্দিৰ সজাই দিছিল। ইয়াৰ পাচত ৰত্নপালৰ পুত্ৰ ইন্দ্ৰপালে খৃষ্টীয় ১০৫০ত কামৰূপৰ সিংহাসন অধিকাৰ কৰে আৰু এই তথ্য পোৱা যায় ৰত্নপালৰ নাতি কামৰূপৰ ৰজা ইন্দ্ৰপালে ১০৫৮ খৃষ্টাব্দত মাটি দান কৰা সম্পৰ্কীয় এখন তাম্ৰফলিৰ পৰা। এই ফলিখন পোৱা হৈছিল পাতিদৰং মৌজাত আৰু এই কথা উল্লেখিত আছে Inscriptions of Ancient Assam নামৰ গ্ৰন্থখনত। কামৰূপৰ পূৰ্বৰ বিভিন্ন ৰজাসকলৰ দৰে পাল বংশৰ ৰজাসকলেও ভাৰতৰ বিভিন্ন ঠাইৰ পৰা মন্দিৰৰ কৰ্মকৰ্তা বা অন্যান্য কামৰ বাবে যিসকল লোকক কামৰূপলৈ আনিছিল, সেই সকলো অৱশেষত ইয়াৰ স্থায়ী বাসিন্দা হৈ পৰিছিল।

পাল বংশৰ ৰজা ৰত্নপালে তেওঁৰ ৰাজত্বৰ

ষষ্ঠবিংশতিম বৰ্ষত সুৱালকুচিৰ (বৰ্তমানে অৱশ্যে শুৱালকুছি বুলিহে লিখা হয়) বাসত্তৰীয়া ব্ৰাহ্মণক ব্ৰহ্মোত্তৰ মাটি দান কৰাৰ প্ৰমাণ পোৱা যায়. শুৱালকুছিৰ বাসত্তৰীয়া ব্ৰাহ্মণ সমাজৰ তত্বাৱধানত ৰক্ষিত তাম্ৰফলিত উল্লেখিত তথ্যৰ পৰা। মুকুন্দ মাধৱ শৰ্মাই লিখা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে ১৯৭৩ চনত প্ৰকাশ কৰা Inscriptions of Ancient Assam নামৰ গ্ৰন্থখনিৰ ১৭৩ পৃষ্ঠাত উল্লেখ কৰা মতে এই তাম্ৰফলিখন খৃষ্টীয় ১০৩৬ চনতে দিয়া হৈছিল। এই ফলিত থকা মোহৰটো আছিল,

স্বস্তি প্ৰাগ্‌জ্যোতিধিপত্যন্ব–
যো মহাৰাজাধিৰাজশ্ৰীৰত্ন–
পালবৰ্ম্মদেব: ।

শুৱালকুছিত উদ্ধাৰ কৰা এই তাম্ৰ ফলিখন কোনে আৰু কেতিয়া উদ্ধাৰ কৰিলে তাৰ সম্ভেদ পোৱা নগ'লেও চাৰ এডোৱাৰ্ড গেইটে এইখন ১৮৯৬ চনৰ মে' মাহত Asiatic Society of Bengal লৈ পঠিওৱা বুলি জনা যায়। প্ৰাপ্ত ফলিখনত তিনিখন ফলি থাকিব লাগিছিল যদিও সেই সময়ত মাত্ৰ দুখন ফলিহে আছিল। কিন্তু সেই ফলিখন এতিয়া ক'ত আছে তাৰ কোনো সম্ভেদ পোৱা হোৱা নাই বুলি উক্ত গ্ৰন্থখনত উল্লেখ কৰিছে। কিন্তু আমি জনামতে উক্ত তাম্ৰ ফলিখনৰ সেই দুখিলা বৰ্তমানেও শুৱালকুছিৰ বাসত্তৰীয়া ব্ৰাহ্মণ সমাজৰ লগতে আছে। কিন্তু সময়ৰ আঁচোৰ লাগি তাত লিপিবদ্ধ পাঠ ভালেখিনি মচ খাই গৈছে। Inscriptions of Ancient Assam নামৰ গ্ৰন্থখনিৰ ১৭৫ আৰু ১৭৬ পৃষ্ঠাত সেই দুখিলা ফলিৰ প্ৰথমখনৰ দ্বিতীয় পৃষ্ঠা আৰু দ্বিতীয়খনৰ প্ৰথম পৃষ্ঠাৰ পাঠৰ বিৱৰণ পোৱা যায়।

তাম্ৰফলিৰ বিৱৰণৰ পৰা দান দিয়া মাটিখিনিৰ প্ৰকৃত অৱস্থান বুজা নাযায় যদিও আমি জনামতে বিংশ শতিকাৰ ষষ্ঠ দশকমানত স্বৰ্গীয় শশীনাথ শৰ্মাদলৈৰ নেতৃত্বত বাসত্তৰীয়া ব্ৰাহ্মণসকলৰ স্থানীয় গণেশ বিগ্ৰহ মন্দিৰটো, য'ত গণেশ বিগ্ৰহৰ উপৰিও এটি শিৱলিঙ্গ মূৰ্তিও স্থাপন কৰা আছে আৰু য'ত আজিও বাৰ মাহত তেৰটা পূজা প্ৰচলিত আছে, সেই মন্দিৰটোৰ নাটঘৰটো পুনৰ নিৰ্মাণ কৰাৰ সময়ত ধনৰ অভাৱ হোৱাত বৰ্তমানৰ বাইহাটা চাৰিআলিৰ উত্তৰৰ বিহদিয়া, বেলকোণা, লেচাকোণা আৰু মুক্তাপুৰ গাওঁত অৱস্থিত ব্ৰহ্মোত্তৰ মাটিখিনি বিক্ৰী কৰি দিয়া হয়। ইয়াৰ পৰা এটা কথা অনুমান কৰিব পাৰি যে শুৱালকুছিৰ বাসত্তৰীয়া ব্ৰাহ্মণশকলক ৰজা ৰত্নপালে দান কৰা মাটি উক্ত গাওঁ কেইখনতেই অৱস্থিত আছিল।

উক্ত ব্ৰহ্মোত্তৰ মাটি মঞ্জুৰীৰে ৰজা ৰত্নপালে তেওঁৰ শাসনৰ ২৬ বছৰত বাজসনেয়ী পুৰাণ অনুগামী ভৰদ্বাজ গোত্ৰৰ বলদেৱৰ পৌত্ৰ আৰু বাসুদেৱৰ পুত্ৰ কামদেৱক তিনি হাজাৰ একক ধান উৎপন্ন হোৱাৰ জোখাৰে উক্ত মাটি দান কৰিছিল।

যিয়েই নহওক কিয়, শুৱালকুছিৰ এই বাসত্তৰীয়া ব্ৰাহ্মণসকল যে খৃষ্টীয় একাদশ শতিকাৰ আগৰ পৰাই শুৱালকুছিত বসবাস কৰি আছিল এই কথা উক্ত তামৰ ফলিয়েই নিশ্চিত কৰে। প্ৰবাদ অনুসৰি এই বাসত্তৰীয়া ব্ৰাহ্মণসকলৰ পূৰ্ব পুৰুষ কনৌজৰ পৰা আহিছিল। অৱশ্যে নৰক বংশৰ প্ৰথমজন নৰকো মিথিলাৰ পৰাই আহিছিল আৰু তেওঁ কিছু সংখ্যক দ্বিজক তেওঁৰ ৰাজ্যলৈ অনা বুলি জনা যায়। সি যিয়েই নহওক কিয় বাসত্তৰীয়া ব্ৰাহ্মণ সকল যে ১০৩৬ খৃষ্টাব্দৰ আগেয়ে কামৰূপলৈ আহিছিল সি ধ্ৰুৱপ। তাৰ পাচত ব্ৰহ্মপুত্ৰ নদীয়েদি বহু পানী বৈ গ'ল। সেই বাসত্তৰীয়া ব্ৰাহ্মণৰ উত্তৰ পুৰুষসকল আজিও শুৱালকুছিত বিদ্যমান। আজিও ৰজা ৰত্নপালৰ প্ৰদত্ত সেই তাম্ৰফলিখন তেওঁলোকে সযতনে ৰাখি থৈছে।

ইয়াৰ পাছত দ্বাদশ শতিকাৰ আদি ভাগত হোৱা তুৰ্বকৰ অসম আক্ৰমণৰ পাচৰ পৰাই এই অঞ্চললৈ মোগলৰো প্ৰব্ৰজনৰ সূত্ৰপাত হয়। ইয়াৰ পাচত অসমলৈ প্ৰব্ৰজন কৰা এটা প্ৰধান গোষ্ঠী হ'ল টাই-আহোমসকল। ১২২৮ খৃষ্টাব্দত আহোমসকল অসমলৈ অহাৰ পিচৰ পৰাহে অসমৰ লিখিত ইতিহাসৰ সূত্ৰপাত হয়। ■

# বেদান্ত দৰ্শনত 'জ্ঞানতত্ত্ব' আৰু ইয়াৰ দাৰ্শনিক বিশ্লেষণ

প্ৰদীপ নাৰায়ণ ভট্ট

জ্ঞানতত্ত্বৰ আলোচনা নকৰাকৈ আধ্যাত্ম তত্ত্বত প্ৰবেশ কৰাটো দৰ্শন শাস্ত্ৰবিৰোধী। বিশেষকৈ শংকৰাচাৰ্য্যৰ অদ্বৈতবাদ অনুধাবন কৰিবলৈ হ'লে তেওঁৰ জ্ঞান বিশ্লেষণ সম্পৰ্কে সম্যক ধাৰণা থকাটো অপৰিহাৰ্য্য। শংকৰাচাৰ্য্যৰ অদ্বৈতবাদ তেওঁৰ জ্ঞান মীমাংসাৰ পৰিণতিস্বৰূপ। ইয়াৰ বাবে তেওঁ ভাৰতীয় অন্যান্য সম্প্ৰদায়সমূহৰ, বিশেষকৈ ন্যায়, বৈশেষিক, জৈন আৰু বৌদ্ধ জ্ঞানতত্ত্বৰ তীক্ষ্ণ সমালোচনা কৰিছে। পাশ্চাত্য দাৰ্শনিক কাণ্টৰ জ্ঞান বিশ্লেষণৰ সৈতে শংকৰাচাৰ্য্যৰ জ্ঞান বিশ্লেষণৰ যথেষ্ট সাদৃশ্য আছে। কিন্তু আটাইতকৈ নিকট সাদৃশ্য দেখা যায় ব্ৰিটিছ দাৰ্শনিক ব্ৰেডলিৰ সৈতে, যদিও দুয়োৰে মাজত কিছুমান মৌলিক পাৰ্থক্যও আছে। ব্ৰেডলি আৰু শংকৰাচাৰ্য্য দুয়োজনেই বৌদ্ধিক জ্ঞানৰ পৰিসৰ যে অতি সীমিত সেই সম্পৰ্কে একেটা সিদ্ধান্তত উপনীত হয়। দুয়োৰে মতে একমাত্ৰ শুদ্ধ অস্তিত্বই হৈছে পৰম সত্তা। অস্তিত্বই হৈছে সকলো বিষয়ৰে একমাত্ৰ সামান্য লক্ষণ। এই নিত্য, নিৰপেক্ষ, অনৌপাধিক আৰু অসীম অস্তিত্ব বা পৰম সত্তাই হৈছে একমাত্ৰ সৎ, গতিকে ইয়েই জ্ঞানৰ মুখ্য উদ্দেশ্য। আনহাতে পৰম অস্তিত্ব হিচাপে ই চৈতন্যস্বৰূপ, কাৰণ অস্তিত্ব কেতিয়াও অচেতন হ'ব নোৱাৰে। এই চৈতন্য স্বৰূপ অস্তিত্বই হৈছে আত্মা বা পৰম ব্ৰহ্ম। সকলো এই পাৰমাৰ্থিক চৈতন্য সত্তা ব্ৰহ্মৰেই অভিব্যক্তি। ই সকলো প্ৰকাৰ সম্বন্ধ আৰু দ্বৈততাৰ অতীত। ইয়াক অদ্বৈত বুলি কোৱা হয়।

জ্ঞান প্ৰক্ৰিয়া ঃ যিকোনো প্ৰকাৰৰ জ্ঞান বিশ্লেষণ কৰি লৈ আমি পাওঁ মুখ্যতঃ এজন জ্ঞাতা (প্ৰমাতৃ চৈতন্য), এটা জ্ঞান প্ৰক্ৰিয়া (প্ৰমাণ চৈতন্য) আৰু এটা জ্ঞেয় বিষয় (বিষয় চৈতন্য)। জ্ঞাতা হৈছে অন্তঃকৰণ বা মন। প্ৰকৃতিজাত মন অহংকাৰাশ্ৰিত জ্ঞাতা (emperical ego or I) ৰূপে বিষয়ৰ বিপৰীতে থাকে। মনৰ দ্বাৰা নিৰূপিত বিষয়ৰ চেতনাকেই জ্ঞান প্ৰক্ৰিয়া বোলে। ইন্দ্ৰিয়সমূহৰ মাধ্যমত বিষয়ৰ পৰা লাভ কৰা সংবেদনসমূহক মনে নিজা আকাৰ বা বৃত্তিৰদ্বাৰা শৃংখলাবদ্ধ আৰু সুসংগঠিত কৰে। মনৰ নিজৰ কোনো চেতনা নাই, কাৰণ ই প্ৰকৃতিজাত অৰ্থাৎ জড়। কেৱল আত্মাৰ সান্নিধ্যলৈ অহাৰ ফলত মনক চেতন যেন বোধ হয়। মন জড় যদিও ই এটা স্বচ্ছ পদাৰ্থ। আত্মাৰ চৈতন্য প্ৰভা মনৰ ওপৰত প্ৰতিবিম্বিত হয় আৰু সেইবাবে মনক চেতন যেন লাগে। আত্মাৰ চৈতন্য মনৰ ওপৰত পৰি তাক প্ৰভাবিত কৰাৰ লগে লগে মনৰ মাজত থকা বিষয়ৰ ৰূপ প্ৰকাশিত হৈ পৰে। ইয়াকেই বিষয়ৰ জ্ঞান বোলে। গতিকে দেখা যায় যে জ্ঞান হৈছে মন বা অন্তঃকৰণে নিজৰ ব্যক্তিৰদ্বাৰা সংগঠিত কৰা আৰু আত্মাৰ জ্যোতিৰে প্ৰভাসিত হোৱা বিষয়ৰ গুণৰাশি আনহাতে, জ্ঞাতা যথাৰ্থতে আত্মা নহয়, অহংকাৰাশ্ৰিত মনহে। আত্মা কেৱল সাক্ষী চৈতন্য। আত্মাৰ কোনো বৃত্তি নাই। ই নিজ শুদ্ধ চৈতন্য মাত্ৰ। কিন্তু জ্ঞান বিভিন্ন। মনৰ বৃত্তি অনুসৰি জ্ঞান হয়। মনে বিষয়ৰ যি আকাৰ ধাৰণ কৰে তাকেই বৃত্তি বোলে। মনৰ চাৰিটা মুখ্য বৃত্তি হ'ব পাৰে— নিশ্চয়াত্মক, অনিশ্চয়াত্মক, অচেতন আৰু স্মৰণ। মনৰূপী জ্ঞাতা, প্ৰক্ৰিয়া আৰু বিষয়, পৰম সত্তাৰ অভিব্যক্তি মাত্ৰ। পৰম সত্তাই হৈছে শুদ্ধ অস্তিত্ব, স্বৰূপতে যি চৈতন্যময় আৰু সৰ্বব্যাপ্ত। ইয়েই মুখ্য উদ্দেশ্য বা পৰম জ্ঞাতা, যদিও ই নিজে জ্ঞান আহৰণ নকৰে। কিন্তু এই মুখ্য চৈতন্যই কেৱল জ্ঞানৰ কাৰণ হ'ব নোৱাৰে। জ্ঞানৰ বাবে এটা প্ৰক্ৰিয়া আৰু এটা বিষয়ৰ প্ৰয়োজন। মুখ্য চৈতন্যক মনে নিজৰ বৃত্তিসমূহৰদ্বাৰা নিৰূপিত কৰাই হৈছে জ্ঞান। মন বা অন্তঃকৰণ আকৌ ব্যক্তিবিশেষে ভিন্ন বাবে জ্ঞানো ভিন্ন হয়। অন্তঃকৰণৰ পৰিসৰ অতি সীমিত। ব্যক্তিৰ অতীত

কৰ্মৰ ওপৰতে ইয়াৰ ব্যাপকতা নিৰ্ভৰ কৰে। এয়েই হৈছে জ্ঞাতা, জ্ঞেয় আৰু চেতনাৰ সমষ্টিত উৎপন্ন হোৱা বৌদ্ধিক জ্ঞানৰ প্ৰক্ৰিয়া। এই জ্ঞান উদ্দেশ্য বিধেয় জড়িত অৰ্থাৎ দ্বন্দ্বাত্মক। জ্ঞাতা বা মনৰ বিষয়েই হৈছে উদ্দেশ্য যাক বিধেয়ৰূপে নিৰ্ণয় কৰা হয়। উদ্দেশ্য আৰু বিধেয় সম্পূৰ্ণ বিপৰীত। উদ্দেশ্যই একমাত্ৰ সৎ বা পৰম সত্তা। কিন্তু মনে তাক নিজৰ বৃত্তি অনুসৰি কিছুমানে গুণৰ দ্বাৰা নিৰ্ণয় কৰি তোলে, প্ৰকৃততে সি যিটো নহয়। এইটো বৌদ্ধিক জ্ঞানৰ প্ৰক্ৰিয়াগত দোষ।

জ্ঞানৰ উৎস ঃ শংকৰাচাৰ্য্যই তিনি প্ৰকাৰ জ্ঞানৰ উৎসৰ উল্লেখ কৰিছে প্ৰত্যক্ষ, অনুমান আৰু শ্ৰুতি। পৰৱৰ্তী অদ্বৈতবাদীসকলে ইয়াৰ লগত আন তিনি প্ৰকাৰ উৎসৰ যোগ দিছে উপমান, অৰ্থাপত্তি আৰু অনুপলব্ধি। স্মৃতিক যথাৰ্থ জ্ঞান বুলি ধৰা নহয়, কাৰণ ইয়াত জ্ঞানৰ বৈশিষ্ট্যত নতুনত্বৰ অভাৱ থাকে। শংকৰাচাৰ্য্যই নৈয়ায়িকসকলে কৰা অবিকল্প আৰু নিৰ্বিকল্প প্ৰত্যক্ষৰ পাৰ্থক্য গ্ৰহণ কৰিছে। তেওঁ প্ৰত্যভিজ্ঞা পূৰ্ব জ্ঞানৰ দ্বাৰা নিৰূপিত এক প্ৰকাৰৰ প্ৰত্যক্ষ জ্ঞান বুলি স্বীকাৰ কৰে। আনহাতে, অনুমান হৈছে ব্যাপ্তি সম্বন্ধৰ ওপৰত নিৰ্ভৰ কৰি লাভ কৰা জ্ঞান। হেতু আৰু সাধ্যৰ অব্যৱহিত অনৌপাধিক সম্বন্ধই হৈছে ব্যাপ্তি। এই ব্যাপ্তি সম্বন্ধক সামান্য নঞৰ্থক ভাৱে প্ৰকাশ কৰিলেই অৰ্থাপত্তি পোৱা যায়। অনুপলব্ধি বৈদান্তিকসকলে গ্ৰহণ কৰা এই স্বতন্ত্ৰ প্ৰমাণ বা জ্ঞানৰ উৎস। এই প্ৰকাৰ জ্ঞানৰ দ্বাৰা বিষয়ৰ অনস্তিত্বক জানিব পাৰি যিটো প্ৰত্যক্ষ অনুমান আদিৰ দ্বাৰা সম্ভৱ নহয়। জ্ঞানৰ অন্যান্য উৎস কেইটাৰ ভিতৰত শংকাৰাচাৰ্য্যই অধিক গুৰুত্ব আৰোপ কৰিছে শ্ৰুতিৰ ওপৰত। বেদসমূহকেই শ্ৰুতি বোলা হয়। যি বাক্যৰ বিষয়গত তাৎপৰ্য তাকেই প্ৰমাণ স্বৰূপে ল'ব পাৰি। বেদ বাক্যসমূহ অবিৰোধী গতিকে যথাৰ্থ। শংকৰাচাৰ্য্যই বেদৰ অপৌৰুষেয়তা স্বীকাৰ কৰিছে যদিও তাক অনিত্য বুলি উল্লেখ কৰিছে। কল্পান্তত বেদৰ লয় হয় ঈশ্বৰৰ মাজত। কিন্তু মীমাংসা দৰ্শনত বেদক নিত্য বুলি গণ্য কৰা হৈছে। বেদ ঈশ্বৰৰ স্বৰূপ, তেওঁৰ আদৰ্শ মন আৰু ইচ্ছাত প্ৰকাশ। সমগ্ৰ জগতখনৰ আদৰ্শগত ৰূপটোৱেই হৈছে বেদ। গতিকে বেদ অনাদি অনন্ত স্বপ্ৰভাসিত। বেদ শব্দৰ অৰ্থই হৈছে জ্ঞান। জ্ঞানেই আত্মা আৰু আত্মাই ঈশ্বৰ বা ব্ৰহ্ম। বিষয়ৰ ৰূপ যিদৰে সূৰ্য্যৰ পোহৰে সাক্ষাৎভাৱে প্ৰতিভাত কৰে সেইদৰে বেদৰ যথাৰ্থতাও সাক্ষাৎ আৰু স্বতঃপ্ৰমাণিত। বেদৰ অৰ্থ গ্ৰন্থকেইখন বা তাৰ মাজত থকা লিপিবোৰ নহয়, সেইবোৰৰ অন্তৰ্নিহিত তাৎপৰ্য অৰ্থাৎ সত্য জ্ঞানেই হৈছে বেদ, যি সত্য অনাদি আৰু অনন্ত। শংকৰাচাৰ্য্যই বেদোক্ত জ্ঞানক একমাত্ৰ প্ৰামাণ্য হিচাপে গ্ৰহণ কৰিছে। তেওঁ যুক্তি সিদ্ধান্তবোৰক শ্ৰুতিৰ দ্বাৰা সমৰ্থিত বুলি প্ৰতিপন্ন কৰাৰ পিছতহে প্ৰতিষ্ঠা কৰিছে। তেওঁ কয় যে স্মৃতি বা পৰম্পৰা জ্ঞানকো শ্ৰুতিৰ সৈতে সংগতিপূৰ্ণ দেখিলেহে যথাৰ্থ বুলি গণ্য কৰিব পাৰি।

জ্ঞান যদিও বিষয় চৈতন্য, অৰ্থাৎ আমাৰ মানসিক আকাৰ সমূহৰদ্বাৰা তৈয়াৰী বিষয়ৰ ৰূপ, তথাপি ইয়াৰ অৰ্থ এইটো নহয় যে বাস্তৱত বিষয়ৰ কোনো অস্তিত্ব নাই। শংকৰাচাৰ্য্যই বিষয়ৰ যথাৰ্থ আৰু বাহ্যিক অস্তিত্ব স্বীকাৰ কৰিছে আৰু সেই কাৰণে আত্মগত ভাববাদী সকলৰ (Subjective idea lists) মতৰ তীক্ষ্ণ সমালোচনা কৰে। তেওঁৰ মতে জ্ঞান আৰু বিষয় পৰস্পৰে পৰস্পৰৰ পৰা পৃথক। বিষয়ৰ বিভিন্ন যথাৰ্থ অস্তিত্ব আছে বাবেই জ্ঞানৰো বিভিন্ন প্ৰকাৰ দেখা যায়। ব্যক্তিগত চেতনাখিনিয়েই বিষয়ৰ স্বৰূপ নহয়। বিষয় সম্পূৰ্ণৰূপে স্বতন্ত্ৰ আৰু যথাৰ্থ। এনে কি আমাৰ মানসিক অৱস্থাসমূহ কেৱল আমাৰ মানসিক চেতনাই নহয়, সেইবোৰো বিষয়াত্মক। শংকৰাচাৰ্য্যৰ মতে চেতনা কেতিয়াও বিষয় হ'ব নোৱাৰে। চেতনা স্বৰূপতে শুদ্ধ, স্বচ্ছ, নিৰ্গুণ আৰু নিৰপেক্ষ। এই চেতনাই হৈছে আত্মা। চেতনা বিষয় জড়িত হ'লেই জ্ঞান হয়। গতিকে ভ্ৰম বিষয় জড়িত বাবে সিও এক প্ৰকাৰ জ্ঞান। জ্ঞানৰ ক্ষেত্ৰত কোনো পৰম সত্য বোলা কথা থাকিব নোৱাৰে বা সম্পূৰ্ণ মিথ্যা বোলা কোনো কথা নাই। জ্ঞান মাত্ৰেই

বিষয় জড়িত। গতিকে সত্য আৰু মিথ্যা দুয়োটাই আপেক্ষিক। শংকৰাচাৰ্য্যৰ দৰে পাশ্চাত্যৰ আদৰ্শবাদী দাৰ্শনিক ব্ৰেডলিয়েও এই মত পোষণ কৰিছে। সংক্ষেপে ক'বলৈ গ'লে শংকৰাচাৰ্য্যই আত্মগত ভাববাদৰ যিদৰে সমালোচনা আৰু খণ্ডন কৰিছে সেইদৰে বাস্তৱবাদকো খণ্ডন কৰিছে। জ্ঞাতা আৰু জ্ঞেয় পৰস্পৰ অবিচ্ছেদ্যভাৱে সম্বন্ধিত। এইটোৱেই প্ৰকৃত আদৰ্শবাদৰ মূল সত্য।

বিষয়াত্মক জগতখন কেৱল আমাৰ মানসিক বৃত্তিৰ দ্বাৰা গঠিত নহয়, ইয়াক এটা যথাৰ্থতা আৰু স্বতন্ত্ৰতা আছে। কিন্তু এই অস্তিত্ব কেৱল জাগতিক ক্ষেত্ৰতেই সীমিত। বিষয়ৰ এই অস্তিত্বক ব্যৱহাৰিক সত্য বুলি ক'ব পাৰি। সীমিত অস্তিত্বৰ জ্ঞানো সীমিত বা আপেক্ষিক পাৰমাৰ্থিক নহয়। শংকৰাচাৰ্য্যৰ মতে পাৰমাৰ্থিক দৃষ্টিৰ পৰা এই বিষয়সমূহ হৈছে বিষয় চৈতন্য, অৰ্থাৎ এইবোৰ এটা পাৰমাৰ্থিক চৈতন্য সত্তাৰ অভিব্যক্তি মাত্ৰ। এহাতে তেওঁ জাগতিক দৃষ্টিৰ পৰা জগতখনৰ যথাৰ্থ অস্তিত্ব স্বীকাৰ কৰিছে আৰু আনহাতে,পাৰমাৰ্থিক দৃষ্টিৰ পৰা জগতখনক পৰম চৈতন্য সত্তা বা এটা আদৰ্শৰ অভিব্যক্তি মাত্ৰ বুলি কৈছে। গতিকে বিষয়ৰ স্বতন্ত্ৰ আৰু যথাৰ্থ অস্তিত্ব থাকিলেও সেইটো মৌলিক নহয়। জাগতিক বা ব্যৱহাৰিক ক্ষেত্ৰত মৌলিক হ'ব পাৰে, কিন্তু পাৰমাৰ্থিক ক্ষেত্ৰত আপেক্ষিক। সমগ্ৰ জগতখন চেতনাৰ বিষয়। বিষয়ৰ অস্তিত্ব কেতিয়াও বিষয়ৰ বাবে হ'ব নোৱাৰে। বিষয় সদায় ব্যক্তি বা ঈশ্বৰৰ চেতনাৰ বাবেহে। এই চেতনাই হৈছে পৰম সত্তা বা আত্মা। প্ৰকৃততে ক'বলৈ গ'লে " জগতখনৰ সকলো বস্তু স্বৰূপতে আত্মময়। জ্ঞাতা আৰু জ্ঞেয়ৰ অতীত আত্মাই হৈছে একমাত্ৰ মৌলিক সত্তা।" ইয়াতে শংকৰাচাৰ্য্যৰ মতৰ সৈতে পাশ্চাত্য দাৰ্শনিক হেগেলৰ বিষয়াত্মক ভাৱবাদৰ সাদৃশ্য লক্ষ্য কৰিব পাৰি। ■

S. B. M. S. College LIBRARY

## অনুভৱ

**ৰিমঝিম মড়ল**

নিগৰি ভাঁহি অহা
এটি সুৰৰ ঝংকাৰত
অনুভৱ কৰিব খোজো
বিস্তীৰ্ণ হৃদয়ৰ
অলেখ অমৃত
ভাষাৰ বিনিনি

কিজানিবা দিয়ে এই অনুভৱেই
মোক, জীৱন মৌ কোঁহৰ চিনাকি
নে স্তব্ধ হৈ ৰ'ম মই
বিশাল গভীৰতাৰ মাজত
চিৰকাল চিৰদিন। ■

## লিমাৰিক

**কণা মাকৰী**

নাৰী নিৰ্যাতনেৰে দেশত অসম হৈছে খবৰ

বন্যাৰ্তৰ ক্ষুধা বেদনা বছৰেকীয়া ৰগৰ
বানত সকলো বৰ্বাদ
TRP নথকা সংবাদ
মানৱতা ৰহিত মানুহৰ পৃথিৱী কোনেও নুবুজা সাথৰ। ■

## বাস্তৱ

আব্দুল গফাৰ

পুৰণি দিনবোৰ
কেনি গ'ল
শুই আছে নেকি?
থাকিল নেকি সোমাই
কোনোবা পৰ্বতৰ
নিৰ্জন গুহাত
মোক বিচাৰি
সিহঁতে
আজিলৈ নাহিল
নিষ্ঠুৰ হ'ল কিজানি
সিহঁত।
নোখোৱা নোলোৱাকৈ থাকিল যদি
সিহঁতৰ শৰীৰ দুৰ্বল
নতুবা অবশ হ'ল কিজানি
আৰু কেতিয়াও
মোক বিচাৰি
এই পথেৰে সিহঁতে
আহিব নোৱাৰে
মোক লব পাব নোৱাৰে
অকলশৰীয়া হ'লো মই
পিছুৱাই যাব নোৱাৰো
পিছলৈ যাব নোৱাৰো
ৰৈ থাকিব নোৱাৰো
গৈ থাকিলো অবাস্তৱ গতিত
য'তেই থমকি ৰ'ব
মোৰ জীৱন যান
পাম তাতেই বাস্তৱ অলংকাৰ। ■

## ধৰণীৰ ৰেহৰূপ

বিউটি ভট্টাচাৰ্য

বসন্তৰ পৰশ লাগি প্ৰকৃতিয়ে
বিনন্দীয়া কৰে ধৰণীৰ ৰেহৰূপ
মানুহৰ হৃদয়ত উথলি উঠা
সুখানুভৱৰ জোৱাৰে
ৰোমাঞ্চিত কৰি মন
গা কৰে সাতখন আঠখন।
প্ৰকৃতিৰ মনোমোহা ৰূপে
শিহৰিত কৰা মন গহনে
উছাহতে বাদ্য-যন্ত্ৰৰ গীতেৰে
মতলীয়া হ'লেও
আমি জ্ঞানবিষ্ট মানুহে
সমাজৰ বাতাবৰণ অনন্যৰূপত
সজাই ৰখাৰ প্ৰস্তুতি কৰিব পাৰো
বসন্তৰ বতৰতে
চৌদিশে বসন্তৰ উৎসৱৰ সতে
নিজকে উটুৱাই দিও
দৰিদ্ৰতাই কাবু কৰা নিঃকিনজনৰ আৰ্তনাদ
বানে ধোৱা মাজুলিৰ চকুলো ইমানতে শেষ হওক যেন
আৰু ভাতৃ বিদ্বেষেৰে স্বজাতিৰ ধ্বংস কাৰণ হোৱা
চুবুৰীয়া ভাই হঁতৰ সুবুদ্ধিৰে হৃদয় ভৰে যেন।
বহাগৰ বিহুতলীতে আমি যদি পুনৰবাৰ
সংকল্পবদ্ধ হওঁ প্ৰতিজন অসমীয়াই আত্মবিশ্বাসত
অৱগাহন কৰি কৰ্মমুখী হোৱাৰ
যত্নপৰ হওঁ দেশৰ সম্পদ ৰাজি
নিজেই বুটলাৰ। ■

## হাতখনত লক্ষ কৌটি মানুহৰ মূৰ

অতুল কুমাৰ শৰ্মা

বাৰিষাত ঠন ধৰি উঠা
তামোল থোকটিৰ দৰে
হাতৰ ঠাৰিত ওলমি
ৰ'ল এইবেলি আবতৰত
লক্ষ কৌটি মানুহৰ মূৰ।
সেইখন পুৰনি হাত
নতুন মূৰবোৰ বিশ্ৰামৰ
আশাত দুলি আছে
তাৰেই পুৰণি ছাঁত।
মূৰবোৰ হাতখনে
কিনি ল'লে নেকি?
নে হাতখন নিলামত পাওঁ বুলি
মূৰবোৰৰ হেতাওপৰা?
যেন ফুলশয্যাত ৰোমাঞ্চিত
ন কইনাৰ কুসুম কোমল
দৰদী হাত সেয়েহে
সুগন্ধি মালাৰে আদৰা
সেই একেখন পুৰণি হাত
ইতিহাসৰ একেটি পাত।
ঠেকাঠেকি মূৰবোৰ হাতৰ ঠাৰিত
ক্লান্তিত কলাঘুমটীয়া মূৰবোৰৰ
বন্দী হ'ল মগজুৰ উষ্ণতা।
আলফুলে মৰম বুলোৱা
হাতখন এদিন
ডিঙিলৈ নামিব
এদেও দুদেও

S. B. M. S. College LIBRARY

## হৃদয়ৰ মাজত তুমি

ৰূপক বৈশ্য

মোৰ বুকুত বৈ আছা
বিষাদৰ এখনি নদী হৈ
মোৰ অশ্রু
সীমাহীন বেদনাৰ প্লাৱন
তুমি আছা
নিসংগতাৰে পাৰ কৰিছো মোৰ জীৱন
তুমিতো নাজানা মই কিয় লগ পাও তোমাক
ৰাতিৰ নিসংগতাত
প্ৰতিদিনে জ্বলি জ্বলি শেষ হয়
মোৰ আশাৰ মমবাতি
মোৰ চাৱনিয়ে
আন্ধাৰতো লগ পায় তোমাক
মোৰ হৃদয়ত যিদিনা আহিছিলা
তোমাৰ খোজৰ ছন্দত বাজি উঠিছিল
মোৰ বুকুত প্ৰেমৰ ধ্বনি
তোমাৰ মৰমে মোক শিকালে
বিষাদৰ গান গাবলৈ
তুমি আছা মোৰ হৃদয়ত বৈ। ■

স্বস্তিৰ নিশ্বাসত সপোন বিভোৰ
মূৰবোৰে উমান হেৰাব
হ'ব লেউ সেউ।
যিখন হাতেই নেলু
ছেপিছিল সহস্ৰ বীৰ স্বতন্ত্ৰ
সেনানী খৰ্গেশ্বৰ, দিলীপ, সুভাষহঁতৰ
প্ৰাগজ্যোতিষত
সেই একেখন পুৰণি হাত
ইতিহাসৰ একেটি পাত।। ■

## কোনে জানে মোক কোৱা

জিন্টু দাস (পুতু)

নিস্তব্ধতাৰ কোলাহল ভেদি
আন্ধাৰ সাম্ৰাজ্যৰ
ৰক্তলোলুপ সুৰ
বিষাদৰ বেলিকাত
মানৱ সমাজত কিহৰ কল্লোল
লুইতৰ পাৰৰ সেই জাতিটো
আজি ক'ত হেৰাল.......... ?
হে আকাশ জানানে তুমি ?
হে লুইত ক'বানে তুমি ?
লুইতৰ পাৰৰ সেই জাতিটো
যাৰ বুকুত আছিল দুৰ্বাৰ সাহস
সিহঁত জানো হেৰাই গ'ল !
অতীতত সিহঁতৰ মাটিত তেজৰ চেকুৰা নাছিল
নাছিল আকাশত বাৰুদৰ ধোৱা
তেনেহ'লে এয়া কি ?
ক'ৰ পৰা আহিল
তেজৰ চেকঁৰা আৰু বাৰুদৰ গোন্ধ
নিজম নিশাৰ নিস্তব্ধতা ভেদি
কাৰ হিয়া ভগা কান্দোন
কোনে জানা মোক কোৱা......। ■

## কবিতা

ড° দ্বীপেন্দ্ৰ কুমাৰ শৰ্মা

হাঁহিবোৰ মৰহি গ'ল
আবেগ অনুভূতিবোৰ বৰফ হ'ল
আৰুনো কিমান বাকী
উজাগৰী ৰাতি।

## অন্তত আগ

ৰাকেশ কলিতা

হৰিণী চকুৰ গভীৰ ভাষাৰে
ভাব বিতৰণ অন্তৰে অন্তৰে;
হৃদয়ত সঁচা মনৰ কথাৰে
দুয়োৰে চিন্তাৰে চিন্তাৰে
বাৰ্তালাপ সুখ-দুখৰ
পালে দুৱাৰ নীলিমৰ;
অন্তহীন দুয়োৰে বাণী
হ'ব জানো হানি !
পিছে সৰ্বশেষত
তেওঁৰেই কালৰূপ বেশত;
পাহৰি প্ৰেমিকক
সাৱটিলে আনক।
দুখক কৰি আলিংগন
প্ৰেমিকাৰ অনুভূতিক চুম্বন;
মৰুভূমিত মৰিচিকা খেদি
নহ'ল আজিও আদি। ■

# কবিতা

অতুল চন্দ্র দাস

মৰি কলঙৰ সুঁতিৰে
বগুৰা বায় সময়

কজলা ৰাতি
দুবাহুত সাৱতি
স্মৃতি

আৰু তেতিয়া
মৌন হয়
যন্ত্ৰণা

নিতাল মাৰে
বেপেৰুৱা দুখ

ৰাতি পৰে পৰে
ফেঁচাই কুৰুলিয়াই

ঢপলিয়াই যৌৱন
আন্ধাৰ আৰু পোহৰৰ
দোমোজাত

হ্যালধীয়া হৈ থাকে
নৱমীৰ জোন
নিলাজ হৈ। ■

# কিহৰ অপেক্ষাত

প্ৰাঞ্জল শৰ্মা

নিশাও গভীৰ হৈ আহিল
বাহিৰৰ এন্ধাৰে পোহৰক আৱৰি ধৰিলে
খিৰিকিখন খুলি বাহিৰলৈ চকু ফুৰালো
তেওঁ আহিছে নেকি বুলি,
দেখিলো মাথো এন্ধাৰ, মাথো ক'লা এন্ধাৰ।
পঢ়া টেবুলত থকা কিতাপখন তুলি লৈ
আৰু কিছু সময় বাট চালো।।

চকু লাগো লাগো
চকা মকাকৈ সাৰ পাই উঠিলো
দেখিলো খিৰিকি খনৰ কাষতে
চুৰা খোৱা কুকুৰবোৰে ভুক ভুকাব ধৰিছে
সিহঁতক খেদিলো।

আৰু কিছু সময়..........
আৰু কিছু সময় বাট চালো,

নিশাৰ গভীৰতাই কোঠাটোত ঠাই ল'লে
খিৰিকিৰ পিনে তালৈ এবাৰ মূৰ টুলিলো
সেইবাৰো নিস্তব্ধ এন্ধাৰৰ বাহিৰে একো নেদেখিলো
টেবুলখনকে সহাঁৰি কৰি আৰু কিছু সময় ৰ'লো
খিৰিকিখন মেলাই থাকিল। ■

## বিষাদ

সত্য দাস

দুখ আছে বাবে ৰাতিবোৰ
ইমান মাতাল নিৰব নিঃশব্দ,
বিনাই মাতে বান্ধবীয়ে
বিষাদ হৈ ভাঁহি আহে সেই দুখৰ
দিনবোৰ কথা।

দুখ আছে বাবেই প্ৰেৰণা
আছে, আৰু স্মৃতি আছে।
তোমাৰ প্ৰতি প্ৰেৰণা ইমান তীব্ৰ
মাথো বিষাদ আছে বাবে।

দুখ আছে বাবে সপোনবোৰ
ইমান ধুনীয়া আৰু জীৱন্ত;
মোৰ বান্ধবীয়ে ভাল নাপালেওঁ
মোৰ সেই সপোনবোৰ অমৰ হৈ
আছে, কেৱল দুখ আছে বাবেই। ■

## অঘৰী

ভুবন দাস

গাই নদীৰ কোবাল সোঁতত
তাৰ ঠিকনাতো হেৰাল
তেতিয়াৰে পৰা সি
অঘৰী হ'ল। ■

## দুখৰ নিলাম

অৰূপ শৰ্মা

বহু মূল্য দিব লগা হৈছিল
তোমাৰ দুখবোৰৰ
নিলাম বজাৰত বহুত ভিৰ আছিল
দৰ-দাম চলিছিল
দুখবোৰৰ।
লব নোৱাৰি ওলটি গল
বহু গ্ৰাহক বন্ধু,
মই বৰ ভাগ্যবান
তোমাৰ দুখবোৰ কিনিব পাই!
সযতনে ৰাখি থোৱা আছে
ইবোৰ।
ইয়াৰ মাজতে বিচাৰো
সুখৰ অনুভূতি!!

## জোনাক

সঞ্জীৱ শৰ্মা

বসন্তৰ শুভ্ৰ পৰশ,
নৱমীৰ লহপহীয়া লয়লাসে
তুমি পোহৰ সপোনৰে.......।
নিজানৰ নিজম নিজৰাৰ কল্লোল
নয়নান্দ, স্নিগ্ধ কপিলী পুৰবাসিনী।।

আকীৰ্ণ আকাশকুসুম আকিঞ্চন
যাজক মালিনী তুমি শৈৱালিনী?
তুমি জোনাক জীৱনৰে ...........। ■

## অভিমান

গীতাঞ্জলী দাস

মই ভাল পাওঁ
আবেলিৰ ৰঙা বেলিৰ
ৰং চাবলৈ
ৰূপালী ৰঙেৰে ভৰা আকাশ
কি ৰোমাণ্টিক নহয়।
ভাল পাওঁ ফাগুনৰ প্ৰেমত
বলিয়া বতাহজাক।
বহাগক আদৰিব অহা কুলি চৰাইজনীক
আৰু কি ভাল পাওঁ জানা
তোমাৰ ওঁঠেৰে নিগৰা শব্দৰ বৰষুণ।
তুমিটো জানাই মই বৰষুণ
কিমান ভাল পাওঁ।
তাৰ পাছটো তুমি কিয় নজনাৰ
ভাও জোৰা।
হয়তো তুমি ভাল পোৱা মোৰ
অভিমান চাবলৈ।
মই ভাল পাওঁ তিৰ বিৰ ৰ'দত
জিলিকি থকা দুবৰি ডৰা।
আৰু ভালপাওঁ নিশাৰ আকাশৰ
কাঁচিজোন।
সকলো জানিও তুমি কিয়
নজনাৰ ভাওঁ জোৰা
কাৰণ তুমি যে ভালপোৱা মোক
আৰু মই ভাল পাওঁ
তোমাৰ দুষ্ট চকুযুৰিক
ভাল পাওঁ সন্ধিয়াৰ
আকাশত উৰি ফুৰা
ক্লান্ত চৰাইজাক
চৰাইজাকে অভিমান কৰে
সন্ধিয়াটোৰ ওপৰত
আৰু মই অভিমান কৰো
তোমাৰ ওচৰত
মৰম বিচাৰি ? ■

## প্ৰশ্ন

ৰমেন কলিতা

গাওঁখনৰ কেকুৰীটোত বৈ আছিল
চিলনীৰ জীয়েক
চৈ দিয়া গৰু গাড়ীখনত
জিলিকিছিল কেঁচাসোণ এডোখৰ
আগে আগে সাউদৰ পুতেকৰ দোলা

সোণৰ সাঁকো দুৱাৰদলিত
তথাপি বৈ বৈ কান্দিছিল চিলনীৰ জীয়েক
চুলি মেলি মেলি গা ধুই আছিল
বাটৰ কাষৰ ঢেকীয়াবোৰে
সেওতাৰে বৈ আহিছিল
ৰঙা ৰঙা পানী কুমলীয়া থোৰ। ■

M.S.D.S. College LIBRARY

## নিশা

ঋতুপৰ্ণ দাস

তোমাৰ সৰ্বত্ৰত ব্যাপী আছো মই...
গান, কবিতা অথবা বতাহ,
সকলোতে তোমাৰ হেপাহৰ
আধা আঁকা চুমা ...

অবুজ, অজানা, নিশা ...
তোমাৰ ওঁঠ, চকু কিম্বা
বুকুত শুই থাকে
মোৰ প্ৰতিটো নজন্মা কবিতা। ■

## নিৰীহ

ধীৰাজ ৰাজ

দুচটা শিলৰ সংঘৰ্ষত
নহয় কোনো সমস্যাৰ সমাধান
ফিৰিঙতিৰহে সৃষ্টি হয়
য'ৰ পৰা দাহ হয় খাণ্ডৱ
দাহ হয় স্বৰ্ণ লংকা
ধ্বংস হয় ট্ৰ'য় নগৰী।

তোৰ বুকুতো শিল ভাই
মোৰ বুকুতো শিল
খুন্দিয়াই দাহ কৰিছো জীৱন
প্ৰয়োজন আছিল পানী, ঢলা হৈছে ঘিউ!
দপ্‌দপাই জ্বলিছে জুইকুৰা
জ্বলিছে চিতা মোৰ মৰমৰ
তোৰ চেনেহৰ
দুই শিলৰ যুঁজত শুকান খেঁৰৰ দহন। ■

## জীৱন

বিদ্যুৎ বৈশ্য

জীৱন....
জীৱন মানে কি?
আছেনে জীৱনৰ কিবা অৰ্থ?
আছেনে জীৱনৰ কিবা মূল্য?
নাজানো মানুহৰ এই প্ৰশ্নৰ উত্তৰ কি?
নাজানো মানুহৰ জীৱনৰ
কিবা অৰ্থ নতুবা কিবা মূল্য আছে নে নাই?
কিন্তু ....
কিন্তু ভাল লাগে মোৰ জীৱনৰ কথা ভাবি,
জীৱনৰ প্ৰতিটো দিন, প্ৰতিটো মুহূৰ্তই
লৈ আহে মোলৈ নতুন সপোন ৰচাৰ সংকেত
নোৱাৰো যে কব
জীৱনৰ অৰ্থ কি?
মাথোঁ জানো
আছে আমাৰ জীৱনৰ
সঁচাকৈয়ে কিবা অৰ্থ, সঁচাকৈয়ে কিবা মূল্য। ■

## বিষাদ

বনশ্ৰী দাস

দুখবোৰ শিপাইছে হৃদয়ৰ চাৰিওকাষে
নোপোৱাৰ বেদনাই কান্দিছে
গজালি মেলিছে আকৌ কিছুমান
নতুন দুখে
কাৰোবাক হেৰুৱাৰ ভয়ত
কঁপি উঠিছে বুকু
লতাবোৰ বাঢ়ি আহিছে
মন অৰণ্যলৈ
ঠাই বিচাৰিছে বিষাদবোৰে
হৃদয়ত খোপনি ল'বলৈ। ■

## জোনাকৰ গান

সমুদ্ৰ কুমাৰ দাস

কানি মুনি আন্ধাৰত
তোমাক দেখিছিলো চকামকাঁকৈ
কামিনীকাঞ্চনৰ তলৰ দুবৰিডৰাই
সাৱতি আছিল মৰমবোৰ।
তুমি আহিলেই
উপচাই দিলোহেঁতেন তোমাৰ দুহাত
বুৰাই দিলেহেঁতেন কণ কণ নিয়ৰৰ কণাই
তোমাৰ উঠা নমা উশাহবোৰ
হেতালি মেলি মেলি ভাগৰত টোপোনিয়াইছিল
কণ কণ জোনাকী পৰুৱাবোৰেও
তুমি আহিবা বুলিয়েই
সিঁচি থৈছিলো নিয়ৰৰ কণাবোৰ
সাজি লৈছিলো মোৰ নিৰ্লিপ্ত কোঠাতো
কিয় নাহিলা তুমি
আধৰুৱা জোনাকৰ গান গাবলৈ। ■

## কেনেকৈ পাহৰিম তোমাক

চুৰামন ৰাজবংশী

হে মা দুৰ্গা দুৰ্গতি নাশিনী আই
কিদৰে পাহৰিম তোমাক
মই যে কঙাল কবি দীনহীন ধৰুৱা
পূজাৰ বেদীত ফুল দিবলৈ
মোৰ হাত বন্ধা চকুতো আৱৰণ
মাথোঁ অনুভৱ কৰিছো
তোমাৰ আগমন
তুমি আহিবা। ■

## প্ৰদূষণ

নীলকমল শৰণীয়া

ৰাতিপুৱা শুই উঠি পূৱৰ ফালে চালে
বেলিটোযে লাগে ইমান ধুনীয়া
তাৰ পিছতো বাৰু কিয় প্ৰদূষণ হয়

কল-কাৰখানাই যে বায়ু নষ্ট কৰে
তাৰ বাবে চিন্তা কিয় কোনেও নকৰে
এনেকুৱা পৃথিৱীত হ'লে সদায়
নাথাকিব মানুহ জীয়াই। ■

## জীৱন নদী

সঞ্জীৱ শৰ্মা

সৌ নদীৰৰ পাৰৰ জিলমিল বালি
দেখিব পাৰিছানে কেতিয়াবা
ঢৌবোৰ যেন কঠোৰ বাক্য
জীৱনৰ খেল খেলি ঢৌবোৰ নিষ্ঠুৰহে হৈছে
মাজনিশা কৰকৰকাই থকা নদীখনে
কাৰোবাক আকুলতাৰে মাতিছে
আকাশৰ মোহনা ফালি জোনাকে কৈছে
শান্তিৰ পাৰত এতিয়া অলপ
জিৰণি লোৱা। ■

## তেওঁ কবি

ড° চিত্তৰঞ্জন দাস

তেওঁ কবি
তেওঁৰ চোতাল ঘৰ
সুখ দুখ ভোক ভাগৰ
আপোনাৰ তেনেই চিনাকি
সেয়ে অচিনাকি

যেন নোৰোৰাকৈ ফুলা বাৰী ঢাপৰ
মদাৰৰ ৰঙা কলিজা
আপোনাৰ অশোভন বিলাসীতা চৰাইৰ
স্বৰ্ণসঁজা
অথবা গোহাঁলীৰ গাইজনী
গাখীৰতী

নিজান বনত নে বুকুৰ কোণত
ৰৈ ৰৈ বিনায় কেতিয়াবা কোনোবা
নাম কি তাৰ
কেতেকী
বনৰ চৰাই বুকুত বাঁহ ল'লে
অচিন অস্বস্তি

তেওঁ কবি
তেওঁ গোপন আপুনি ■

## অতীতৰ স্মৃতি

অপূৰ্ব ঠাকুৰীয়া

সমাধিৰ সময়ত পদুলিৰ মাধুৰী জোপাত
দুটি কপৌৱে ব্যক্ত কৰে
কিছু মনৰ কথা
এতিয়া সেই কপৌ নাই
মাধুৰী জোপাও
আছে মাথোঁ মনত বন্দী কৰি ৰখা
এটা স্মৃতি টোপোলা। ■

## পোতাশাল

প্ৰদীপ বৰুৱা

সিও এদিন প্ৰেমিক হব
তাৰ নগ্ন মনস্কাম
উজলি উঠিব
জোনৰ পোহৰ আৰু
শৰতৰ স্নিগ্ধ জোনাকত।
সিও এদিন কবিতা লিখিব
প্ৰেমৰ কবিতা
আখৰেৰে নহয়
চিৰন্তন নীতিৰ গতিৰে।
সিও কবি হৈ ৰব
সৃষ্টিশীল সমাজত
নতুন প্ৰজন্মই গঢ়া
কবিতাৰ পোতাশালত। ■

## চাৰ্জ

কবিতা ভাগৱতী

আপুনি বাৰু ফুল চাৰ্জত আছেনে
যদি জানিব বিচাৰিছে চিন্তা নাই
আপোনাৰ হাতৰ মোবাইল ফোনটোৱে জনাই দিব
যদি ফোনটো প্ৰায়ে কম চাৰ্জত থকা হৈছে
তেন্তে বুজিব আপুনিও ৰিজাৰ্ভত চলি আছে

যদি ফোনটো প্ৰায়ে হাফ চাৰ্জত থাকে
জানিব আপুনি নিজৰ লগতে
চৌপাশৰ ঘটনা পৰিঘটনাৰ প্ৰতি
আংশিক ভাৱেহে সজাগ

যদি আপুনি আপোনাৰ চাৰিওকাষৰ
ঘটনা পৰিঘটনাৰ প্ৰতি
প্ৰতি মুহূৰ্ততে সজাগ
কোনো কাৰকে আপোনাক তলাব নোৱাৰে
আপোনাৰ চাৰিওকাষৰ বাতাবৰণ তথা পৰিৱেশ
ঘৰ বা বজাৰ
আমাৰ বা সিহঁতৰ
সিহঁতৰ বাবে বা আমাৰ
কি কৰিব লাগে বা নালাগে
কি বিচাৰিব লাগে বা নালাগে
পাব লাগে বা নালাগে
সকলো আপোনাৰ হাততে
অৰ্থ মাত্ৰ এটা
আপুনি ফুল চাৰ্জত আছে। ■

## হেঁপাহ

হিমাংশু অনুপম

দুওঁঠ তোমাৰ
যেন
এপিয়লা প্ৰাচীন সুৰা ...
বুকুৱে বুকুৱে
ঢৌ খেলো আহা।

## ঠিক নৈৰ খহনীয়াৰ দৰে

জ্যোতিৰ্ময়ী ডেকা

নৈ খনেওফগু পাতি পাৰ পাইছে
আকাশখনিও নামি আহিছে পৃথিৱীলৈ
মানুহবোৰে আকাশ চুবলৈ হুৱা দুৱা লগাইছে।
ক্ৰমশ.......
নৈখনে পাৰ ভাঙিছে
চুবুৰীৰ হেপাহৰ বাৰী ঘৰ পানীৰে উপচি পৰিছে
পানী কেৱল পানী। চকুৱে মনিব নোৱাৰালৈকে পানী
নাঠনি পানীত উৱলি গৈছে সেউজীয়াবোৰ
ঘৰৰ মুধতো পানী।
কক্ বকাই পাৰ বিচাৰিছে মানুহবোৰে
পানীৰ মাজতে বিচাৰিছে
পিয়াহৰ পানী। তথাপি
সূৰ্যটোৰ ৰামধেনু আঁকি
পানীৰে উমলিছে। সাতৰঙৰ অপূৰ্বতীত
মানুহৰ বুকুত সপোন গজিছে
পলৰীয়া সপোন
বাৰে বাৰে খহি পৰা সপোন।
ঠিক নৈৰ খহনীয়াৰ দৰে
খহি পৰা সপোন। ■

*(কবিতাটি বানে গৰকা মাজুলী বাসীলৈ উছৰ্গা কৰা হ'ল)*

# অচিন বাটৰ সুৰ

গীতিমা কলিতা

কি যে এক অস্থিৰ সময়। অস্থিৰ মানুহৰ জীৱন, অস্থিৰ মানুহৰ মূল্যবোধ। এই অস্থিৰতাত সকলো উটি-ভাহি গৈছে কোনেও নজনাকৈ। খবৰ কাকতবোৰো যেন আজিকালি অস্থিৰ সময়ৰ বাহক হৈ পৰিছে। হত্যা, লুণ্ঠন, প্ৰৱঞ্চনাৰ বাহিৰে খবৰ কাগজবোৰে যেন ছপাবলগীয়া খবৰ নোহোৱাই হৈছে।

আজিৰ খবৰ কাগজখনেও অকণো ব্যতিক্ৰম নোহোৱাকৈ পৃথিৱীৰ সকলো ঠাইৰে অশান্তি অসূয়াবোৰৰেই খবৰ আনিছে, চাৰিওফালে উগ্ৰপন্থীৰ তাণ্ডৱ নৃত্যহে যেন চলিছে। চোৰাংকৈ অস্ত্ৰ সৰবৰাহ হৈছে পৃথিৱীৰ ইখন দেশৰ পৰা সিখন দেশলৈ। আজিৰ খবৰ কাগজখনে গুৱাহাটী মহানগৰীতেই তেনে এদল চোৰাং অস্ত্ৰ বেপাৰীক আটক কৰা খবৰো সবিস্তাৰে ছপাইছে।

পুৱা অফিচলৈ ওলাওতেই তেওঁ খবৰটো পাইছিল। খবৰটো শুনি তেওঁ হতভম্ব হৈ পৰিছিল। উধাতু খাই তেওঁ থানা পাইছিলগৈ। কিজানিবা কিবা কৰিব পাৰেই, কিন্তু নাই তেওঁ একো কৰিব নোৱাৰিলে। অত্যন্ত অসহায় অনুভৱ কৰিছে তেওঁ।

ঘূৰি-পকি আহি বাহিৰৰ বাৰাণ্ডাখনৰ হেলনীয়া চকীখনতে যি বহিল তাৰ পৰা উঠিবলৈ তেওঁ যেন শক্তিহীন। আজি তেওঁ অতিশয় বিষণ্ণ, বিমূঢ়। চৌধুৰীৰ ঘৰখনত আজি এক থমথমীয়া পৰিৱেশ।

গধূলিৰ ৰঙচুৱা আকাশখনত উৰি যোৱা চৰাইজাকলৈ চাই চাই ভাবগধুৰ হৈ তেওঁ এক দীঘল হুমনিয়াহ কাঢ়িলে। দুখৰ এচপৰা প্ৰকাণ্ড শিলে যেন তেওঁৰ বুকুখন হেঁচা মাৰি ধৰি আছে আজি।

বহি থাকোতেই অতীতৰ অনেক স্মৃতিয়ে চৌধুৰীৰ মনত ভুমুকি মাৰিলেহি।

চাকৰিৰ খাতিৰত অনেক ঠাইলৈ যাবলগীয়া হৈছিল চৌধুৰী। কিন্তু সেই সকলোবোৰ ঠাইতকৈ তেওঁৰ চাকৰি জীৱনৰ প্ৰায় আৰম্ভণিতে থকা সৰু, নিৰিবিলি অথচ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ ৰংজুলিলৈহে আজি মনত পৰিছে বাৰে বাৰে।

নতুনকৈ বিয়া কৰোৱা চৌধুৰী তেতিয়া এজন চফল ডেকা ইঞ্জিনীয়াৰ। প্ৰথমবাৰলৈ গুৱাহাটীৰ বাহিৰলৈ বদলি হৈছে। সন্দেহ আৰু দোমোজাৰে যাত্ৰা আৰম্ভ কৰিছিল তেওঁ। যান্ত্ৰিক বিজুতিৰ বাবে বিয়লি চাৰি বজাত পাব লগা বাছখন সাত বজাতহে যথাস্থান পাইছিল যেনিবা। বাছ ৰোৱা ঠাইতে দুখনমান দোকানৰ ঢিমিক ঢামাক পোহৰৰ বাহিৰে বাটৰ দুয়োমূৰে বহুত দূৰলৈ আন্ধাৰৰ ক'লা চাদৰে বাট-পথ ঢাকি ৰাখিছিল।

ইফালে-সিফালে চাই চৌধুৰীয়ে সেই ঠাইৰ ডাক বাংলা কোনফালে আছে সুধিবলৈ আগবাঢ়ি গৈছিল দোকানকেইখনৰ ফালে। তেনেতে আন্ধাৰ ফালি এজন আদবয়সীয়া মানুহ আগবাঢ়ি আহিল।

নমস্কাৰ ছাৰ।

নমস্কাৰ। কোন তুমি?

মই ডাক বাংলাৰ চকীদাৰ। মোৰ নাম ৰাজেন।

আগতীয়াকৈ এজন স্থানীয় ঠিকাদাৰৰ যোগে চৌধুৰীৰ আগমনৰ বাতৰি পাই অফিচৰ সকলোৱে তেওঁক আদৰিবলৈ বাছষ্টেণ্ডত ৰৈ আছিল। কিন্তু অহাত দেৰি হোৱা বাবে কেৱল ৰাজেনক থৈ বাকী সকলো ঘৰা-ঘৰি হৈছিল। অকণমান ঠাইখনত সন্ধিয়া সাত বজাতেই বহুত পলম হোৱা যেন লাগে।

নিৰিবিলি ডাক বাংলাটোৰ চৌহদত থকা চকীদাৰৰ কোৱাৰ্টাৰটোৰ পৰা ৰাজেনৰ ল'ৰা-ছোৱালীকেইটাই তেওঁক আলঙে আলেঙে চাই আছিল। সৰু ল'ৰা-ছোৱালীকেইটাই মাজে মাজে নিজৰ ভিতৰতে ঠেলা-ঠেলি কৰি হাঁহিছিল আৰু পাকেপতি সিহঁতৰ অভিজ্ঞতাৰ কথা মাকক বৰ্ণনা কৰিছিলগৈ। ৰাজেনে লাজ পাই ল'ৰা-ছোৱালীকেইটাক ডবিয়াই খেদি পঠিয়াই চৌধুৰীৰ আলপৈচানত অধিক মনোযোগ দিছিল। চৌধুৰী এক আমোদজনক পৰিৱেশত সোমাই পৰিছিল। মনে মনে ইমানখিনি গুৰুত্ব পোৱাৰ বাবে এক পুলকো অনুভৱ কৰিছিলে।

ল'ৰা-ছোৱালীৰ কোলাহলে নতুন ঠাইত প্ৰথম প্ৰভাতৰ সম্ভেদ দিছিল চৌধুৰীক। মাজে মাজে সন্মুখৰ আলিটোৰেদি যোৱা দুই এখন ট্ৰাকৰ শব্দৰ বাহিৰে এক নিৰিবিলি আমেজ লাগে পুৱা। ৰাজেনে যোগাৰ কৰি দিয়া পুৱাৰ চাহকাপ খাই তেওঁ ওলাই গৈছিল নতুন অফিচ আৰু তাৰ গাতে লাগি থকা চৰকাৰী বাসভৱনটো চাবলৈ।

গোটেই অফিচৰ মানুহখিনিয়েই নতুন অফিচাৰক সম্ভ্ৰমেৰে আদৰিলে। কিছুপৰ কথা-বতৰা পাতি চা-চিনাকি হোৱাৰ পিছত তেওঁ অফিচৰ গাতে লাগি থকা চৰকাৰী বাসভৱনটো চাবলৈ গ'ল। চাৰিওফাল সেউজীয়া, মুকলি পৰিৱেশৰ মাজত প্ৰকাণ্ড চৌহদটোৰ ভিতৰত টিঙত দিয়া ৰঙা ৰং আৰু বেৰত দিয়া সেউজীয়া ৰঙেৰে আছাম টাইপৰ ঘৰটো বৰ ধুনীয়া দেখিছিল। ঘৰটোলৈ যোৱা কেঁচা আলিটোৰ সেউজীয়া ঘাঁহনিয়ে বাটৰ কাষত ৰুই দিয়া ৰঙা জবা কেইজোপা চুই গৈছিল। লোৰ গেটখন খুলি ঘৰৰ চৌহদত সোমাই নানাধৰণৰ ফুল আৰু ফলৰ গছে আগুৰি ৰখা চৰকাৰী বাসভৱনটোৰ আশ্ৰমসদৃশ পৰিৱেশে তেওঁক বাৰুকৈয়ে আপ্লুত কৰিলে। নৱবিবাহিতা পত্নীক কাষতে পাবলৈ তেওঁৰ মন ব্যাকুল হৈ উঠিল।

তোমাক ম'হে কামুৰিব দেউতা। লাইটটো জ্বলাই দিওঁনে?

ৰিমঝিমৰ মাতত চৌধুৰীয়ে যেন সম্বিৎ ঘূৰাই পালে। ৰিমঝিম তেওঁৰ ডাঙৰ ছোৱালী। দেউতাকৰ মনৰ বেদনা তাই উপলব্ধি কৰিব পাৰিছে। আজি তাইৰ মনটোও বিষাদ বিহ্বল। আজিৰ খবৰে ঘৰৰ প্ৰতিটো প্ৰাণীক দোলা দি গৈছে। চৌধুৰীৰ ল'ৰা তুমনো অথনিৰে পৰা ঘৰলৈ অহাই নাই। কথাটোৰ আঁতিগুৰি ল'বলৈ সিও চাৰিআলিৰ ফাললৈ ওলাই গৈছিল।

পুৰণি স্মৃতিৰ আমেজ লগা পৰিৱেশৰ স্বপ্নভংগ কৰিবলৈ চৌধুৰীৰ কোনোপধ্যেই মন নগ'ল। ৰিমঝিমক লাইট জ্বলোৱাৰ পৰা বিৰত কৰি তেওঁ বাৰাণ্ডাৰ আন্ধাৰতে বহি পুনৰ সেই এৰি অহা দিনবোৰলৈ উভতি গ'ল।

অসমজুৰি হোৱা আন্দোলনৰ ভৰপক তেতিয়া। অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে সকলোৱেই প্ৰাণ বিসৰ্জন দিবলৈ সাজু হৈছিল। হাজাৰ চকুত হাজাৰ স্বপ্ন। অসমৰ উন্নতি হ'ব, অসমীয়াৰ জাতীয় জীৱনৰ ৰক্ষণাবেক্ষণ হ'ব। এক মহৎ চিন্তাৰে সকলোৰে মন-প্ৰাণ উদ্বুদ্ধ।

ৰংজুলিতো তাৰ বতাহে কোবাইছিল। জনজাতিপ্ৰধান সৰু ঠাই খনৰ লোকসকলেও আন্দোলন কৰিছিল শান্তিপূৰ্ণভাৱে।

সকলোৱে দেখিছিল সুখৰ স্বপ্ন। চৌধুৰীও ব্যস্ত হৈ পৰিছিল ভগা দলং, ছিগা ৰাস্তা মেৰামতি কৰি। জাতি-জনজাতি সকলোৱে মাজত সোমাই পৰিছিল তেওঁ আপোন হৈ। চা-চিনাকিও হৈছিল বহুতৰ লগত। ইতিমধ্যে তেওঁ চৰকাৰী বাসভৱনত থাকিবলৈ লৈছিল আৰু এদিন চৌধুৰীয়ে বিচৰামতে ৰাজেনে এটা কাম কৰা ল'ৰা লৈ আহিছিল তেওঁলৈ। ৰাজেনৰ পিছে পিছে দেউতাকৰ লগত অহা অমলক চৌধুৰীয়ে প্ৰশ্ন কৰিছিল—

কাম কৰিব পাৰিবি?

পাৰিম ছাৰ। তপৰাই উত্তৰ দিছিল সি।

আগতে ক'ৰবাত আছিলি নেকি?

নাই থকা, পিতাৰ লগত খেতিতহে কাম কৰিছিলো। — তাৰ কথাত তাৰ পিতাকে মূৰ দুপিয়াইছিলি।

তোমাৰ বাবে কাম কৰা ল'ৰা গোটাইছো। নতুন ঘৰলৈ তোমাক সোনকালেই আনিম— তেওঁ চিঠি লিখিছিল পত্নী নীতালৈ।

অমলৰ লগত চৌধুৰীৰ পত্নী নীতাৰ বৰ সোনকালেই মিল হৈছিল। আঠ ন বছৰীয়া ক্ষীণ, মিঠাবৰণীয়া ল'ৰাটো দেখি নীতাৰ মৰম লাগি গৈছিল। ছাঁটোৰ দৰেই সি অনৱৰত নীতাৰ পিছে পিছে লাগি ফুৰিছিল। কথাৰ মাজতেই নীতাই গম পাইছিল তাৰ ভায়েক-ভনীয়েক আৰু মাক-দেউতাকৰ কথা। অলম, বিমল, নোমল আৰু মৰমী। বিমল পঢ়া-শুনাই ভাল, কিন্তু নোমল বৰ চালাক আৰু দুষ্ট। সি পঢ়া-শুনা ভাল নাপায়, মৰমীতো তেনেই অকণমান। দিন হাজিৰা আৰু লোকৰ পথাৰত খেতি কৰি দেউতাকে তাহাঁতক পোহপাল দিয়ে। চলিবলৈ অত্যন্ত টান হোৱাত তাক চৌধুৰীৰ ঘৰত থোৱাটোৱেই মাক-বাপেকে ঠিক কৰিছিল। নীতাৰ মৰম আৰু শাসনত অমল লাহে লাহে সকলোতে পাকৈত হৈ উঠিছিল। প্ৰাণচঞ্চল অথচ বাধ্য অমলে তাৰ সৰু সৰু হাত দুখনেৰে কৰা প্ৰতিটো কামৰ মাজেৰে নীতাৰ ঘৰখনত

আধিপত্য বিস্তাৰ কৰিছিল।

চৌধুৰীলৈকো তাৰ আছিল অপৰিসীম শ্ৰদ্ধা আৰু মৰম। কামৰ পৰা ঘৰলৈ অহা চৌধুৰীৰ গাড়ীৰ শব্দ দূৰৰ পৰা শুনিয়েই অমল যিদৰে উধাতু খাই যায় গেট খুলি বলৈ, ভাবিলে এতিয়াও চৌধুৰীৰ হাঁহি উঠে। এবাৰ এনেকৈ দৌৰোতে তাৰ যে নখেই উভালি গৈছিল উজুতিত। ধাৰাসাৰে ওলোৱা তেজ বন্ধ কৰিবলৈ নীতাই ক'ত যে কিমান দৰৱ-বেগুেজ লগাইছিল।

.... হঠাতে সন্মুখৰ ফুলনিখনলৈ মেকুৰী দুটা আহি বিকটভাৱে চিএৰ-বাখৰেৰে কাজিয়া কৰি চৌধুৰীক সচকিত কৰিলে। কেনে অমংগলীয়া চিএৰ! বহুপৰ একেথৰে বহি থকাত তেওঁৰ ভৰিকেইটা জঠৰ হৈ পৰিছিল। চকীখনৰ পৰা উঠি কোনোমতে ভৰিকেইটা চোঁচৰাই চোঁচৰাই তেওঁ মেকুৰীকেইটাক খেদিবলৈ চেষ্টা কৰিলে। নীতাও আজি বিচনাচে পৰি আছে। চৌধুৰী থানাৰ পৰা অহাৰ পৰাই মানুহজনীয়ে বিছনাত পৰি আছে আৰু কেতিয়াবাই ঘূৰি অহা চৌধুৰীক চাহ একাপ যাচিবলৈকো তেওঁ উঠি অহা নাই। গোটেই ঘৰখনতে এক মৰিশালিৰ নিস্তব্ধতা।

বহুপৰ একেথৰে বহি আছে যদিও চৌধুৰীৰ অকণো্‌ বেয়া লগা নাই; বৰঞ্চ বহুত দিনৰ মূৰত অনেক ব্যস্ততাই পাহৰাই ৰখা সেই স্মৃতিবিলাক ৰোমন্থন কৰিবলৈ তেওঁৰ মনটো পুনৰ শামুকৰ খোলাৰ ভিতৰত সোমোৱাৰ দৰে সোমাই পৰিল পুৰণি দিনৰ মাজত।

ক'ব নোৱাৰাকৈয়ে কেবাবছৰো পাৰ হৈ গৈছিল। নীতাৰ কোলালৈ ৰিমঝিম আৰু তুমন আহিছিল। তাহাঁতৰ যেন সকলো দায়িত্ব অমলৰেই। তাৰেই কোলাই-বোকোচাই ডাঙৰ হ'ল তাহাঁত দুটা। ৰিমঝিম, তুমনৰ সি হৈ পৰিল মৰমৰ দাদা। অ কণমানি অমলৰ সৰু সৰু হাত দুখনৰ কষ্টোপাৰ্জিত ধনেৰে এখন ঘৰৰ চকা পুৰাকৈ নচলিলেও আধাতকৈ বেছি চলিলে।

ৰিমঝিম, তুমনৰ লগে লগে অমলো ডাঙৰ হ'ল চৌধুৰীৰ ঘৰতেই। ডাঙৰ হ'ল বিমল, নোমল আৰু মৰমীও। দেওবাৰে, বৃহস্পতিবাৰে বহা হাটৰ পেলনীয়া তামোল গোটাই চুপাৰি কৰি বজাৰত বেচে বিমল-নোমলে। তাহাঁতৰ মাক-বাপেক সকলোৰে বাবেই চৌধুৰীৰ ঘৰখন হৈ পৰিল অতি আপোন। নহ'বনো কিয়— চৌধুৰী আৰু তেওঁ জানো তাহাঁতক কম সহায় কৰিছে! তেওঁৰ তাত থাকিয়েই অমলে মাটি চাৰি বিঘাও কিনিলে। গৰু এহাল কিনাৰ উপৰি থকা ঘৰটোও বহুখিনি ভাল কৰিলে।

ৰংজুলিৰ পাছতো চাকৰি সংক্ৰান্তত চৌধুৰী য'লৈকে গৈছে, অমলো ছাঁৰ দৰে তালৈকে গৈছে। তাৰ যে এখন সুকীয়া ঘৰ আছে সেইকথা জানিও সকলোৱে যেন পাহৰি গৈছে। সেয়েহে এদিন যেতিয়া চৌধুৰীয়ে গুৱাহাটী মহানগৰীৰ সীমামূৰীয়া এই ঠাইখিনিত নিজাববীয়াকৈ ঘৰ এটা সাজি স্থায়ীভাৱে থাকিবলৈ ল'লে, তেতিয়া ৰিমঝিম, তুমনৰ লগতে অমলো সমানেই আনন্দিত হ'ল। চৌধুৰীৰ ফুলনিত ফুলি থকা শেৱালি, তগৰ আৰু মছন্দাকেইজোপাও সিয়েই ৰোৱা। ঘৰ সজাৰ পৰাই তাৰ কিমান উৎসাহ। তুমনৰ লগত কত আলোচনা! চৌধুৰীয়ে মূল ঘৰটোৰ ওচৰতে তালৈও এটা মৰম লগা কোঠালি সাজি দিছিল।

গুৱাহাটীলৈ অহাৰ পিছতো দুবছৰমান সকলো ঠিকেই আছিল। লাহে লাহে তাৰ লগ সংগও বাঢ়িবলৈ ধৰিলে। ঘৰতকৈ বাহিৰত থাকি তাৰ বেছি ভাল লগা হ'ল। ঘৰুৱা কাম বনবোৰো নিতান্তই বাধ্যত পৰিহে যেন কৰে। মাজে-সময়ে নীতাৰ কথাকো সি অমান্য কৰিবলৈ ধৰিলে।

সি যেন অসন্তুষ্ট। কিবা এক চিন্তাই তাক যেন জুমুৰি দি থাকে। বিভিন্ন ধৰণৰ বন্ধুৱে তাক বিচাৰি আহে। হঠাতে যেন তাৰ বহুত কিবা কিবি হ'বলৈ মন গ'ল। নীতাৰ মাতৃসুলভ শত বুজনিয়েও তাৰ অবুজন মনত কোনো প্ৰতিক্ৰিয়া নকৰিলে। ডেকা ল'ৰাৰ খামখেয়ালি বুলি চৌধুৰীয়ে তাক এটা সামান্য চৰকাৰী চাকৰিতো সুমুৱাই দিলে। কিন্তু তথাপি যেন সি অশান্ত! আৰু এদিন চৌধুৰী, নীতা, ৰিমঝিম, তুমনৰ এই বৃত্তটোৰ পৰা অমল ওলাই আহিল।

অমল চৌধুৰীৰ ঘৰৰ পৰা ওলাই অহা প্ৰায় চাৰি বছৰমানেই হ'ল। চৌধুৰীৰ ঘৰত থাকিয়েই সি বিমল, নোমলকো উপযুক্ত কৰিলে। বিমলে কলেজত পঢ়াৰ উপৰি টিউচন আদিও কৰে। নোমল মটৰ মেকানিক হ'ল। আটাইকেইটা একেলগেই থাকে সেই অঞ্চলৰেই কিছু দূৰত ঘৰভাৰা কৰি।

চৌধুৰীৰ তাৰ পৰা অহাৰ পিছত অলপ দিন সি আহ-

যাহ কৰি আছিল যদিও পাছলৈ সেয়া লাহে লাহে কমি শেষত একেবাৰেই নোহোৱা হ'লগৈ।

মাজে মাজে ৰিমঝিম, তুমনক চাবলৈ আহোঁতে অমলৰ চাল-চলন, কানি-কাপোৰ সকলোতে এটা পৰিৱৰ্তন লক্ষ্য কৰিছিল চৌধুৰী আৰু নীতাই। সি যেন অলপ বেপৰোৱাও হৈছিল।

আৰু আজি যেতিয়া চকুপানীৰে গাম-মুখ তিয়াই বিমলে চৌধুৰীৰ ভৰিত লুটি খাই পৰি সেই ভীষণ খবৰটো দিলেহি, তেওঁ হতভম্ব হ'ল। কম্পিত হৃদয়েৰে এফালৰ পৰা তেওঁ কথাবোৰ শুনি গৈছিল।

বহুত দিনৰ পৰাই সি ঘৰত নথকা হৈছিল। নানান ধৰণৰ, নানান বৃত্তিৰ মানুহ তাৰ ওচৰলৈ আহিছিল। ভায়েকহঁতৰ অজানিতে, সংগোপনে সি হৈ পৰিছিল বন্দুক-বাৰুদ গোপনে যোগান ধৰোতা চোৰাং কাৰবাৰী। শেষত আজি তাক পুলিচে ধৰি নিলে ৰাজপথৰ পৰা পছুখেদা দি।

ছাৰ, তাক বচাওক। আপুনি পাৰিব ছাৰ। তাক বচাওক। আকুল হৈ বিমলে চৌধুৰীক খাটনি ধৰিলে।

মৰিয়াই মৰিয়াই আধামৰা কৰি লকআপত ভৰাই থোৱা অমলক মুকলি কৰিবলৈ অশেষ চেষ্টা কৰিলে চৌধুৰীয়ে। দুৰ্ধৰ্ষ অপৰাধী অমল দাস টাডাত বন্দী। মুকলি কৰি দিয়াটো অসম্ভৱ। পুলিচৰ স্পষ্ট উত্তৰ।

'অপৰাধী!' —থানাত টং টংকৈ বজোৱা সময় সংকেতটোৰ দৰেই চৌধুৰীৰ বুকুখনেও তেতিয়া ধমধমাই উঠিছিল। কোনে সাজিলে তাক অপৰাধী? সেই সৰুকালিৰ জাতীয় অস্তিত্ব ৰক্ষাৰ আন্দোলনটোৱে নে আন্দোলনে জন্ম দিয়া কিছুমান দুষ্কৃতিকাৰীয়ে? বিপ্লৱীৰ সাজত মানুহৰ মাজত আতংকৰ সৃষ্টি কৰাটো যেন কিছুমানৰ বাবে এক চৌখিন চখ হৈ পৰিছে। নানাধৰণৰ অসামাজিক কামেৰে সহজলভ্য ধন ঘটিবলৈ অমলৰ দৰে সহজ-সৰল ল'ৰাবোৰক প্ৰলোভিত কৰিছে।

চৌধুৰীৰ মনটোৱে বিদ্ৰোহ কৰি উঠিল। তেওঁ ভাবিবলৈ ধৰিলে — যি বিপ্লৱে ধ্বংস আনে, তেনে বিপ্লৱ কাম্যনে? ক্ষন্তেকীয়া ৰোমাঞ্চেৰে জীৱন গঢ়িবলৈ যোৱা এইসকল যুৱকক কোনে বুজাব তাৰ ভয়াবহ পৰিণতি? এইসকল যুৱকে কৰ্ম-সংস্কৃতিৰ বিপ্লৱ গঢ়ি দেশখন গঢ়িবলৈ চেষ্টা কৰিলেহেঁতেন! অনেক প্ৰশ্নই চৌধুৰীৰ মনত খুন্দা মাৰিলেহি। কিন্তু মেকুৰীৰ ডিঙিত টিলিঙা আঁৰিব কোনে?

সেয়েহে সুজলা-সুফলা অসমী আইক স্খলিত, দুষিত আৰু দুঃখিত কৰা এই দুষ্কৃতিকাৰীহঁতৰ প্ৰতি প্ৰচণ্ড ঘৃণাত চৌধুৰীৰ শৰীৰ জিকাৰ খাই গ'ল।

খট্‌কৈ উঠা গেটৰ শব্দত চৌধুৰী উচপ খাই উঠিল। আমন-জিমনকৈ তুমন সোমাই আহিল।

দেউতা, বহিয়েই আছা?

অ', এন্ধাৰতে ভাল লাগিছে। কিবা খবৰ পালিনে?— চৌধুৰীয়ে তুমনক প্ৰশ্ন কৰিলে।

অ', তাক আৰু তিনিটাক কিবা সোধা-পোছাৰ বাবে ক'ৰবালৈ লৈ গৈছে। —তুমনৰ মাতত জড়তা।

চকু দুটা মুদি চৌধুৰীয়ে সৰুকালিৰ অমলৰ হাঁহিটো মনত পেলাবলৈ যত্ন কৰিলে। পাৰিবনে কোনোবাই আজি ঘূৰাই দিব তাৰ সুখৰ দিন.. যেতিয়া সি তাৰ হাত দুখনেৰে কষ্ট কৰি, ধন ঘটি তাৰ ঘৰখনক, ভায়েক-ভনীয়েকক উপযুক্ত কৰি আত্মতৃপ্তিত গদ্‌গদ্ হ'ব।

চৌধুৰীৰ বুকুভেদি আকৌ এটা দীঘল হুমনিয়াহ ওলাই আহিল। ■

---

# কবিতা

**মৃন্ময় আকাশ**

আহোঁ বুলিয়েই ওলাই আহিব নোৱাৰি
ঘৰ চোতালত নাথাকিলে
ৰখীয়া দুৰৱী।

## জীৱন

অনামিকা বৰা

জীৱন পথাৰব
মই ৰোৱনী
সুখ-দুখ, হাঁহি-কান্দোন, পোৱা-নোপোৱা শব্দ বীজেৰে
কঠীয় পাৰো.....। নাঙলৰ চোকা সীৰলুত
লহপহীয়া হয় আশা
দাবনিৰ লাহি পৰশ ন পৰোতেই
কোনোবা মহাজনৰ ঈষালু দৃষ্টিক
উচন হয় মোৰ সেউজীয়া পথাৰ।
আকৌ, সাৰ পাই উঠো
সজাঁল লাজুকী বনৰ দৰেই
পলস পেলাও জীৱন মৰুভূত
গুটি ফুটি গজালি মেলে সপোনে
মুখত এমুকোৰা মিচিকিয়া হাঁহি
ভঁৰালত ৰং সানি লখিমী আদৰা পূৰ্ণ প্ৰস্তুতি
পুনৰ বলীয়া বানে কোবাই যায় মোৰ বুকু
উদং কৰে পথাৰ...........!! ■

## পোহৰ

গোকুল কলিতা

দুখী দুখী মনোভাৱটোৰে
কেতিয়াবা মোক সুখী কৰি তোলে
গৃহহাৰা আশ্ৰয় শিবিৰৰ শিশুবোৰৰ দৰে

এমুঠি অন্ন
য'ত নিষ্পাপ সপোনবোৰে
লুকা-ভাকু খেলে
খেৰ পঁজাৰ মুধচেৰে বৈ অহা
জোনাক পোহৰৰ স'তে
এটা ৰাতিৰ শেহত। ■

## মৰমী অমোঘ শাওন

হৰিচৰণ দলৈ

মিঠা মিঠা স্বপ্নৰে প্ৰাপ্তিৰ প্ৰতিশ্ৰুতি অঁকা
হেঁপাহৰ ফুল বচা
সৃষ্টিৰ অমোঘ মন্ত্ৰ
জীৱনৰ চেতনা চিৰন্ত।।
আশীৰ্বাদ বৰষিলেই
স্থবিৰতা উৰি যায় পলকতে
সেউজীয়া ৰূপে বিমোহিত
এচলু সোণালী স্পন্দন
কৰ্মেৰে ৰঞ্জিত প্ৰতিক্ষণ।।
জাক জাক টোপাল সাৰতি
শাওনৰ কেচা মাটি
নাঙলৰে ওমলা খেলা
উৰ্বৰা বিশ্বাসেৰে শেৱালী
সোণফলা কামনা
সৃষ্টিৰ উতলা উন্মাদনা।।
ব্যস্ততাৰ অনাবিল আনন্দ
হাল বোৱা, আলি দিয়া, ৰোৱা-দোৱা
কামৰ এবুৰি উথপথপ
গাভৰুৰ খিল খিল উদগনি
উদং কলাফুল মুৰুলী
গজলীয়া ডেকাৰ সুহুৰি।।
মেঘেঢকা শাওনৰ পলসুৱা পথাৰ
থৌকি বাথৌ উটনুৱা
গুজি দিয়া মুঠি মুঠি সেউজীয়া
পিঠিত আকোঁৱালী প্ৰখৰতা
অৱসাদ নাই
নেথাকে দুখৰ মলিনতা।।
শৈশৱ কোমল
সুজলা সুফলা দেশ
ছন্দময় নান্দনিক গতি
প্ৰাণ পায় কৃষকৰ দৃষ্টিত
বৰ্ণময় ঋতুৰ লাবন্য
শাওনৰ সৌন্দৰ্য অনন্য।। ■

## আঘোনৰ কুৰঁলী

ড° দুৰ্গেশ্বৰ শৰ্মা

আঘোনৰ কুৰঁলীয়ে পাখি মেলি
দশোদিশে ফুৰিছে উৰি,
ঘৰৰ চালত বহি কুৰঁলীয়ে
বজাইছে টুক্ টুক্ বজাইছে তবলা

চেচাত কপি উঠিছে
বিৰিখৰ শৰীৰ ডাল-পাত
গছত সাজিছে তণ্ডীঘৰ।

পদূলিয়ে পদূলিয়ে কুৰঁলীৰ তোৰণ,
মংগল উৰুলিৰে
উখল মাখল ঘৰৰ চোতাল।

পথাৰত সোণগুটিবোৰৰ
ডিঙিত আৰিছে মুকুতাৰ হাৰ।
নৰাত মুঠা হৰা কৃষকৰ হাত
বৰফে চুহিছে
কাঁচিখন সুলকি পৰিছে।

সকলোতে কুৰঁলীৰ দুৱাৰ মুকলি
বাৰীৰ পুখুৰীটো
কুৰঁলীৰে পৰিছে উপছি
গাৱঁৰ পঢ়াশালীখন
কতেবা আছে লুকাই
শিশুহঁতে নেপাই বিচাৰি।

কুৰঁলীয়ে ঢাকি ধৰিছে
বাট-পথ-ঘৰ-চোতাল
একোকে নমনি।

পদূলিত কুৰঁলীয়ে চুমিছে
দুবৰিৰ গাল
তাকে দেখি শেৱালি জোপাই
কুৰঁলীৰ ওৰণিৰে ঢাকিছে মুখ। ■

## বৰষুণ

কুশলজিৎ দেউৰী

সৰাপতত শুনিছোঁ মেঘালীৰ আগমনি
গোপন ভাষা
এই যেন,
এই যেন মৌচুমীয়ে নমাব
সপোনৰ বৰষুণ জাক
কাণে কাণে কৈ যায় ফুলামন্ত্ৰ
চুন পৰা মাটিত
সেউজী ৰহন বুলোৱা কথা
মাটি পৃথিৱী মানুহ
জাউতিযুগীয়া সম্বন্ধ
ক্ৰমশঃ
প্ৰতিশ্ৰুতি আৰু প্ৰেৰণাৰে
নামে বৰষুণ
উন্মনাত ভৰিপৰে শইচ পথাৰ
আৰু মানুহ
লেও দিয়া বোকা গোন্ধই
হাত বাউলি মাতে
হালোৱা ৰোৱনিয়ে হয়
পথাৰ উৎসৱ মুখৰ
নিথৰ দুপৰীয়া এটা পিঠিতে কঢ়িয়াই
শাওনৰ ৰোৱনিজাক এতিয়াও
পথাৰতে আছে।
অপ্ৰত্যাশিতভাৱে হৃদয় বৰষুণ জাক
আবেলি আকৌ আহিব পাৰে
এই বাটেৰে
ৰূপালী জোনাক হৈ ... ■

D. M. S. College LIBRARY

*নিজক নিজে*
*ছেদন কৰা*
*ৰুধিৰ ঢালা*
*মাটিত*
*নিজক নিজে*
*দহন কৰা*
*ৰোপণ কৰা*
*মাটিত*
*হে পৰম*
*তুমি*
*তোমাতেই আছা*
*সংঘাতৰ গভীৰত*
*মুহূৰ্তৰ উন্মেষণত*
*সহস্ৰৰ আৰ্তনাদত*
*অস্তিত্বৰ ক্ৰন্দন আৰু*
*জয়ত*

— নিৰ্মলপ্ৰভা বৰদলৈ